জয়ধ্বনি

শ্রীবিনন্দচন্দ্ৰ বৰুৱা
অচ্যুত ভৱন
টীয়ক

অসম প্ৰকাশন পৰিষদৰ অৰ্থসাহায্যত
গ্ৰন্থকাৰৰ দ্বাৰা প্ৰকাশিত

JAYADHANI : An Assamese Poetry Book written by Binanda Chandra Barooah published by the author with financial aid of the Publication Board of Assam.

॥ পৰিৱেশক : শ্ৰীৰাধাপ্ৰসাদ বৰুৱা, ৰস্তি সাহিত্য মন্দিৰ, মৰিয়নী ॥

॥ প্ৰথম প্ৰকাশ : ১৯৭৪ চন

॥ ছপা কৰোঁতা : শ্ৰীদুৰ্গাপ্ৰসাদ মিত্ৰ, এলম্ প্ৰেছ,
৬৩ বিডন ষ্ট্ৰীট, কলিকতা-৬ ॥

॥ মূল্য : ৪·৫০ পইচা ॥

অৰ্পণ

৺

কবিসাহিত্যিক শিক্ষাবিদ

স্বৰ্গীয়

লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা

মোমাইদেউৰ

পবিত্ৰ স্মৃতিত

শ্ৰীবিনন্দ

আমাৰ একেষাৰ

আমাৰ আগৰ কবিতা কিখনৰ পিছত "জয়ধ্বনি" 'অন্তৰধ্বনি' আৰু শিশুৰ উপযোগী এখনি কোমল কবিতা পুথি 'শিশুধ্বনি' সংকলন কৰি প্ৰকাশ কৰিবলৈ লোৱা হয়। কিন্তু নানা অসুবিধাৰ কাৰণে তিনিবছৰৰ আগতে যুগুত কৰা 'জয়ধ্বনি'ৰ প্ৰকাশেই পলম হৈ গল। অসম প্ৰকাশন পৰিষদে পুথিখন প্ৰকাশ কৰিবলৈ আৰ্থিক সাহায্য দিয়াত হে আমি পুথিখন প্ৰকাশ কৰিবলৈ আগবাঢ়িলো। পৰিষদৰ সম্পাদক ডেকা সাহিত্যিক শ্ৰীমান চন্দ্ৰ প্ৰসাদ শইকীয়া আৰু সহকৰ্মীসকলৰ সলাগ লৈছো। কাগজ আৰু ছাপাৰ আন আহিলা পাতিৰ অভাবৰ কাৰণে কিতাপখন মনেৰে ভবাৰ দৰে আৰু খৰতকীয়া কৰি উলিয়াব পৰা নহল। কেইটামান উপযুক্ত কবিতাও বাদ দিব লগা হল। ইয়াত সন্নিবিষ্ট কৰা কবিতা কেইটাৰ সৰহভাগেই স্বাধীনতাৰ পিচৰ ৰচনা।

আমাৰ ভাষা সাহিত্যৰ ফুলনিত বকুল ফুলৰ দৰে আমোল মোলাই থকা বকুল বনৰ কবি পদ্মশ্ৰী আনন্দ চন্দ্ৰ বৰুৱা দেৱে পুথিখনিৰ "বিনন্দীয়া কথা" নামেৰে পাতনি এখন লিখি দিছে। তেখেতক আমাৰ আন্তৰিক ওলগ জনালো।

সহৃদয় পাঠকসকলৰ পৰা সহানুভূতি পালে আমি ই কিখন পুথি প্ৰকাশ কৰিবলৈ আশা কৰিছো।

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা

পদ্মশ্ৰী আনন্দ চন্দ্ৰ বৰুৱা দেৱৰ

পাতনি

বিনন্দীয়া কথা

জোনাকী যুগৰ প্ৰৱৰ্ত্তক ৰসৰাজ বেজবৰুৱা যেতিয়া অসমীয়া ভাষা-সাহিত্যৰ দণ্ডধাৰী প্ৰহৰী আৰু বাঁহী বজাই তৰুণ প্ৰাণত সাহিত্য-প্ৰেম জগাই দিওঁতা একমাত্ৰ গৰাকী, তেতিয়া যি কেইজন কলেজীয়া ছাত্ৰৰ কবিতা পঢ়ি আমি বৰ ভাল পাইছিলোঁ সেই কেইজনৰ ভিতৰত আছিল স্বৰ্গীয় ডিম্বেশ্বৰ নেওঁগ, শ্ৰীঅতুল-চন্দ্ৰ হাজৰিকা, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, স্বৰ্গীয় থানেশ্বৰ হাজৰিকা, স্বৰ্গীয় পাৰ্বতি প্ৰসাদ বৰুৱা আদি।

আমি স্বৰ্গীয় বন্ধু গণেশ গগৈৰ সৈতে কেতিয়া বাঁহি আহি-পাবহি বাট চাই থাকোঁ। তেতিয়া বৰ বেছি কাকত-পত্ৰ নাছিল। সেইবাবে "বাঁহী", মিলন, আদি পঢ়োঁতে তাত ওলোৱা জাননীবোৰে সৈতে পঢ়িছিলোঁ। আমাৰ তেতিয়া অসমীয়া সাহিত্য পঢ়িবলৈ বৰ হেঁপাহ জাগিছিল। বোধহয় সেইবাবে আমিও কেতিয়া লেখিম, ক'ত লেখিম, কি লিখিম বুলি ভাবিছিলোঁ। সেই প্ৰেৰণাৰ ফলত স্কুলীয়া ছাত্ৰ সকলৰ মাজত হাতে লিখা আলোচনীৰ জন্ম হৈছিল। গোটেই অসমতে সাহিত্য-প্ৰেমী ছাত্ৰসকলৰ মাজত এনে জাগৰণ হৈছিল। ইয়াৰ বাবেই বাঁহীৰ পৰবৰ্ত্তী "আৱাহনৰ" দিনত এছাম নতুন লেখকৰ জন্ম হৈছিল।

অগ্ৰজপ্ৰতিম শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা দেৱৰ কবিতাত স্বদেশ-প্ৰেমৰ জুই আছিল। মহাত্মা গান্ধীৰ অসহযোগ আন্দোলন আৰু ক্ষমতাশালী নেতা সকলৰ বক্তৃতাই সমস্ত ভাৰতবৰ্ষৰ প্ৰাণত স্বৰাজ লাভৰ অদম্য হেঁপাহ জগাই দিছিল। সেইবাবে

সেই সময়ত উৎসাহ উদ্দীপনামূলক ৰচনাই আমাক উদ্বুদ্ধ কৰিছিল। স্বাধীনতা সংগ্ৰামৰ যেতিয়া ভৰপক অৱস্থা তেতিয়াই ইংৰাজী ১৯২৪/২৫ চনত বৰুৱা দেৱৰ প্ৰথম "শঙ্খধ্বনি" প্ৰকাশ হয়।

স্বৰ্গীয় পণ্ডিত তুলসী নাৰায়ণ শৰ্ম্মাই পাতনিত কৈছে:

"সৃষ্টিৰ পাতনিতে শঙ্খধ্বনি। বিশ্বনিয়ন্তাই সৃষ্টিৰ আৰম্ভতে যি এবাৰ শঙ্খধ্বনি কৰিলে, সেই ধ্বনিৰ নিনাদত চেতনা পাই জগতৰ সকলো প্ৰাণীয়েই নিজৰ নিজৰ কৰ্ত্তব্য পথত আগুৱাবলৈ ধৰিলে। সেই মঙ্গল শঙ্খৰ শবদত অনুপ্ৰাণিত হৈয়েই আকাশত চন্দ্ৰ সূৰ্য্য গ্ৰহ নক্ষত্ৰ আদিয়ে অবিশ্ৰান্ত ভাৱে বিশ্বনিয়ন্তাৰ বিজয় বাতৰি ঘোষিবই লাগিছে। এই ধ্বনিয়েই অনৈক্যৰ মাজত ঐক্যৰ সৃষ্টি কৰি জগৎ শান্তিময় কৰি তোলে। এই ধ্বনিতে মোহিত হৈয়েই মাকে পুতেকক কোলাত লয়। সময়ত বতাহ আপুনি বলে, শিশিৰৰ পাছত বসন্ত আহে, গছত ফুল আপুনি ফুলে।"........

বৰুৱা দেৱৰ প্ৰথম অৰ্ঘ্য "শঙ্খধ্বনি"য়েও অসমীয়া সাহিত্য জগতত এনে আলোড়ন সাৰ্থক ভাবে সৃষ্টি কৰিলে। সভাই সমিতিয়ে "শঙ্খধ্বনি"ৰ কবিতাৰ আবৃত্তি কৰা হৈছিল। তাৰ ধ্বনিয়ে শুনোতাৰ সিৰে সিৰে তপত শোণিতৰ ধাৰ বোৱাই দিছিল। অসমীয়া সাহিত্য, আমাৰ গৌৰৱময় বুৰঞ্জীৰ প্ৰতি আগ্ৰহ জন্মাই দিয়া 'শঙ্খধ্বনি'ৰ কবিতা সমূহে অসমীয়া কাব্য সাহিত্যৰ বুৰঞ্জীত এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে আৰু যাউতিযুগলৈ থাকিব।

প্ৰাচীন ভাৰতৰ অলঙ্কাৰ শাস্ত্ৰই কয়:

ৰসাত্মক বাক্যই কাব্য। কবিতাৰ সাৰ বস্তু হল ৰস। তাৰ লগতে কোৱা হৈছে, ধ্বনি থকা বাক্যও কাব্য। গতিকে ৰস ধ্বনিয়েই কাব্যৰ আত্মা বুলি প্ৰাচীন সকলে ঠাৱৰ কৰি

গৈছে। বিনন্দ বৰুৱাৰ কবিতাত ৰসো আছে ধ্বনিও আছে। সাহিত্য দৰ্শনত কোৱা হৈছে :

"সজ কাব্য অধ্যয়নে ধৰ্ম্ম-অৰ্থ-কাম-মোক্ষ লাভৰ উপায় দিয়ে, কলাবিদ্যাত বিচক্ষণ কৰি তোলে, কীৰ্ত্তি আৰু যশস্যা বিস্তাৰ কৰে, প্ৰীতিও জন্মায়।"

অকণো কুণ্ঠাবোধ নোহোৱাকৈ বৰুৱা দেৱৰ কবিতা সমূহ একে আষাৰেই সজ বুলি ক'ব পাৰি।

অসমীয়া কাব্যমোদী ৰাইজে তেখেতক "ধ্বনি কবি" বুলি কয়। যথাৰ্থতে তেখেত "ধ্বনি কবি"। তেখেতৰ কাব্য-গ্ৰন্থ সমূহৰ নামো "ধ্বনি" যুক্ত। প্ৰথমতে "শঙ্খধ্বনি", দ্বিতীয়ত "প্ৰতিধ্বনি", তৃতীয়ত আহিছে "জয়ধ্বনি"। জানিব পাৰিছোঁ ইয়াৰ পাছত "শিশুধ্বনি", "অন্তৰধ্বনি"য়েও সাজপাৰ পিন্ধিছে।

বৰুৱা দেৱৰ ঘৰ টীয়কত। চাৰিউফালে চিৰ সেউজীয়া ৰূপ, সমুখত ধাননি পথাৰ, অদূৰত মনে মনে বৈ থকা টীয়ক নৈ। বৰুৱা দেৱৰ ভাৱৰ প্ৰতিধ্বনি উঠিছে "প্ৰতিধ্বনি"ৰ টীয়ক নামে কবিতাটিত। তাত টীয়ক নৈ খনক সম্বোধন কৰি ধ্বনি কবিয়ে কৈছে :

"জনা নাই হেৰা আজলী তটিনী
 তুমি যেনে দৰে বৈছা আজি,
টীয়কৰ সেই বহল চাপৰি
 বিদাৰি অতিকে ৰঙত সাজি।
সেই দৰে মোৰ হিয়া চাপৰিৰ
 মাজেদি তোমাৰ এসুঁতি বৈ,
যতে থাকো লাগে যেনেকি ভাৱত
 তোমাৰ কথাটি থাকিব কৈ।"...

ধাৰ নিছিগা টীয়কৰ সোঁত বৈ থকাদি 'ধ্বনি' কবিৰ অন্তৰতো কবিতাৰ ধাৰ অব্যাহত ভাৱে আজিও বৈয়েই আছে। কজেজীয়া

জীৱনতে আৰম্ভ কৰা কবিতা লিখাৰ প্ৰেমে সত্তৰ বছৰ বয়সলৈকে বকৰা দেৱক এৰা নাই। সুদীৰ্ঘকাল জাজী উচ্চ ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰি ভাষা সাহিত্য, বুৰঞ্জীৰ অধ্যাপনাত কটাই। অসম সাহিত্য সভাত সক্ৰিয় অংশ লৈ এজন নিপুণ নাট্যকাৰ, শিশু-সাহিত্যিক ৰূপেও নানাভাবে মাতৃভাষাৰ সেৱা কৰি অকল সাহিত্য সংস্কৃতিৰ মাজতে বকৰা দেৱে জীৱন অতিবাহিত কৰিছে।

সেন্দুৰী আমৰ দৰে টুপটুপীয়া ৰসাল মুখত ৰঙা ওঁঠৰ হাঁহি লৈ অমায়িক কবি বিনন্দ বকৰাই এতিয়া বাণী-পূজাৰ জয়ধ্বনি-মন্ত্ৰ গাইছে। যি সকলে পূজা পাতল কৰে তেখেত সকলে সুললিত সংস্কৃত-মন্ত্ৰ গাই গাই গন্ধ-পুষ্প, ধূপ-দীপ, নৈবেদ্যাদি উপচাৰ সমূহ উপাস্য দেৱতাৰ নামত অৰ্পণ কৰি কাষত থকা ঘণ্টাটোলৈ আৰৈ চাউল এটা মাৰি "জয়ধ্বনি মাতঃ স্বাহা" বুলি ঘণ্টাটো সোঁ হাততলৈ উপাস্য জনৰ স্তৱ-স্তুতিৰ ছন্দৰ তালে তালে ঘণ্টাধ্বনি কৰে। ধ্বনি কবিয়ে জয়ধ্বনি মন্ত্ৰ গাইছে ভাৰত-মাতাৰ উদ্দেশ্যে। তেখেতে জয়ধ্বনিক যাত্ৰাপথৰ সম্বল বুলি এই দৰে কৈছে:

"জয়ধ্বনি মানবৰ যাত্ৰাৰ সম্বল ;
প্ৰগতি শকতি শান্তি মধুৰ মিলন।"

আমি বিদেশী শাসকৰ অধীনত থাকোতেই "শঙ্খধ্বনি'য়ে যুৱক শক্তিক জগাই দিছিল। ১৯৪৭ চনত স্বাধীনতা লাভ হোৱাৰ পিছতো আকৌ ধ্বনি কবিয়ে সোঁৱৰাই দিছে:

"বসুন্ধৰা এই বীৰৰ ভোগ্য,
কাপুৰুষ তাৰ নহয় যোগ্য,
বীৰৰ গৰিমা জগতে গায় ;
পালিব লাগিব বীৰৰ ধৰ্ম্ম,
সাধিব লাগিব মহান কৰ্ম্ম,
বাখোতা বীৰৰ বাহিৰে নাই।"

আজি স্বাধীন ভাৰতক বীৰ সকলহে প্ৰয়োজন। ধোদৰ পছলা কাপুৰুষবোৰ সংখ্যাত অলেখ হলেও একো কামত নালাগে। "মই সীমান্তৰ প্ৰহৰী"ত কবিয়ে কৈছে :

মই সীমান্তৰ প্ৰহৰী !
যত দুৰ্জ্জয় যত মহাভয়,
সকলোটি মোৰ লগৰী
মই সীমান্তৰ প্ৰহৰী।

"হে জননী ভাৰতবৰ্ষ" "ত্ৰিৰঙ্গ পতাকা" "মই আজি ৰচিম কবিতা" ইত্যাদি ভালেমান কবিতাত ধ্বনি কবিৰ স্বদেশ প্ৰেম, ভাৰতমাতাৰ প্ৰতি ভক্তি আৰু মানবীয় প্ৰেমৰ পোহৰ উজ্জল হৈ আছে। "বাহাদুৰ গাওঁবুঢ়া" "আনন্দৰাম", "দেশ ভক্ত", "তিলকৰ বিচাৰ", "শ্ৰীমন্ত শঙ্কৰ" আদি কবিতা বিলাকতো জাতীয় বীৰ সকলৰ প্ৰতি তেখেতৰ গভীৰ শ্ৰদ্ধা ফুটি উঠিছে। তাৰ উপৰি বুৰঞ্জীৰ পম খেদি ধ্বনি কবিয়ে এটি সোণামুৰা ডেকাও আবিষ্কাৰ কৰিলে। টীয়ক নৈৰ পাৰত থকা সোণামুৰা চাপৰিয়ে সেই অজ্ঞাত সোণামুৰাৰ স্মৃতি আজিও জীয়াই থৈছে বুলি প্ৰতিপন্ন কৰিছে।

"শৰাইঘাট" কবিতাটিত তেখেতে কৈছে :

"ত্যাগৰ মহিমা ক্ষেত্ৰ, বীৰৰ সমাধি ভূমি –
লাচিতৰ কীৰ্ত্তিস্থল পবিত্ৰ শৰাইঘাট ॥

"জয়ধ্বনি" কবি-কল্পিত অসমত জয়, জয়, ধ্বনি উঠিছে। নামে গামে "জয়ধ্বনি" সাৰ্থক হৈছে।

লগতে এটি কথা লিপিবদ্ধ কৰি থবৰ মন গল। ১৯২৬ চনত আমি কাশী হিন্দু বিশ্ববিদ্যালয়ৰ ছাত্ৰ। তাত শ্ৰীপঞ্চমীৰ সন্ধ্যা এটা সৰ্ব্বভাৰতীয় ভাষাৰ বিচিত্ৰানুস্থান হয়। সৰস্বতী পূজাৰ উদ্যোক্তা সকলে আগতে আটাইবোৰ ছাত্ৰাবাসলৈ জাননী দিয়ে—কোনোবাই কিবা অংশ লব খুজিলে জনাব লাগে। আমি

অসমীয়া ছাত্র ১৫/২০ জন মান আছিলো। মই এটা অসমীয়া কবিতা আবৃত্তি কৰিম বুলি জনালোঁ। কিন্তু ইঞ্জিনিয়াৰিং কলেজত পঢ়ি থকা ৺নগেন্দ্রনাথ বৰুৱাই (ধ্বনি কবিৰ দদায়েকৰ পুতেক ভায়েক) আপত্তি কৰিলে অসমীয়া ভাষা বুজি নাপাই শ্রোতাই উপহাস কৰিলে বৰ লাজৰ কথা হব। মই কিন্তু অবিচল মোৰ মাতৃভাষাত মই কবিতা পঢ়িম কিহৰ ভয়? ধ্বনি কবিৰ শঙ্খধ্বনি"ত থকা "উঠাহে যুবক শক্তি সাধক, তোমাৰ লগতে সকলো জাগক" বুলি দীঘলীয়া কবিতাটো যেতিয়া আবৃত্তি কৰিলোঁ ৬/৭ হেজাৰ দৰ্শকে নিমাত-নিস্তব্ধ হৈ শুনিলে। গোৰাৰ অন্তত হাত চাপৰিৰ জাউৰি উঠিল। দৰ্শন বিভাগৰ মুখ্য অধ্যাপক ডঃ মৈত্রেয়ই মোক ওচৰলৈ মাতি নি বঙালী ভাষাৰে সুধিলে—"আপুনি যে আবৃত্তি কৰিলেন কবিতাটি কি ৰবীন্দ্রনাথেৰ?" মই তেতিয়া তেখেতক কলোঁ, নহয়, কবিতাটো আমাৰ এজন তৰুণ কবিয়ে লিখা। তেখেতৰ নাম বিনন্দ চন্দ্র বৰুৱা। ডঃ মৈত্রেয়ই মোক কবিতাটোৰ কপি এটা খুজিলে। পাছদিনা তেখেতক লিখি দিলো। মোৰ অন্তৰত আজি ৪৮ বছৰৰ আগৰ সেই সন্ধ্যাটো এতিয়াও সজীব হৈ আছে আৰু মই গৌৰব বোধ কৰোঁ যে আমাৰ চাৰি সীমাৰ বাহিৰে চেনেহী মাতৃ-ভাষাৰ আবৃত্তি কৰি হেজাৰ হেজাৰ অনা-অসমীয়া শ্রোতাক তৃপ্তি দিব পাৰিলো। ইয়াৰ স্রষ্টা ধ্বনি কবি বিনন্দ বৰুৱা দেৱ তাতোকৈ গৌৰবৰস্থল। তেখেতৰ কবিতাত যে ধ্বনি আৰু ৰস দুয়োটা বিদ্যমান সেয়েই প্রমাণিত হ'ল সেই বাণী-পূজাৰ সন্ধ্যাত। বীৰ ৰসৰ ধ্বনিত ছন্দে ছন্দে উঠি যোৱা কবিতা লিখোঁতা শ্রীবিনন্দ চন্দ্র বৰুৱা দেৱক ধ্বনি-কবি বোলা সম্পূর্ণ সার্থক হৈছে।....

বৰুৱা দেৱৰ বৰদেউতাক আৰু দদাই দেউতাক মৰিয়নী চাহ বাগিচাৰ বৰ কেৰেণী আছিল। এটা পুৰুষ তেখেত সকলৰ

কাৰণে মৰিয়নীয়েই ঘাই ঘৰ যেন হৈ পৰিছিল। পূৰ্ব্বপুৰুষৰ সংস্কৃতিৰ পৰম্পৰা ৰক্ষা কৰি মৰিয়নী চাহ বাগিচাৰ ঘৰো সাহিত্য মন্দিৰত পৰিণত হৈছিল। বৰুৱা দেৱৰ আন এজন দদাই দেৱেক ৺বিষ্ণু চন্দ্ৰ বৰুৱা এম-এ, বি-এল, যোৰহাট থিয়েটাৰৰ এজন গুৰীয়াল আছিল আৰু নিজেও এজন সুনিপুণ অভিনেতা আছিল। ধ্বনি কবি ছাত্ৰাৱস্থাৰ পৰাই অসম ছাত্ৰ সন্মিলনৰ লগত জড়িত হৈ আছিল। ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'মিলন'ৰ তেখেত সম্পাদকো হৈছিল। ৰঙালী বিহুৰ বছৰেকীয়া সংগ্ৰহ "ৰৱদৈচিলা" ওলাইছিল মৰিয়নীৰ বস্তি সাহিত্য মন্দিৰৰ পৰা।

ভাষা-সাহিত্য-সংস্কৃতিৰ লগত অতি ঘনিষ্ঠ সম্বন্ধ থকা ধ্বনিকবিৰ পৰিয়ালটি আৰু কবি নিজে আমাৰ শ্ৰদ্ধাৰ পাত্ৰ। "জয়ধ্বনি"ৰ ঘণ্টাধ্বনিয়ে অপহৃতা, অসুৰা দূৰতে বিদূৰ কৰি কাণত ভাষ'-জননীৰ জয়গান বৰষি থাকক আৰু মৰ্ম্মত সোমাই অসমীয়া কাব্যপ্ৰেমী তৰুণ-তৰুণী সকলক উদ্বুদ্ধ কৰক।

শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা,
"বকুল বন"
১৮ ভাদ, ১৮৯৬ শক
যোৰহাট।

শ্রীবিনন্দচন্দ্র বৰুৱা

সূচিপত্ৰ

জাতীয় পতাকা জয়	...	১
জয়ধ্বনি	...	২
উঠা বীৰ	...	৩
কোৱা বীৰ	...	৫
মই সীমান্তৰ প্ৰহৰী	...	৭
মুক্তি চতুৰ্দ্দশী	...	১১
হে জননী ভাৰতবৰ্ষ	...	১৬
আগবাঢ়ি যায় নব জোৱান	...	২০
ত্ৰিৰঙ্গ পতাকা	...	২৪
তিলকৰ বিচাৰ	..	২৭
মই আজি ৰচিম কবিতা	...	২৯
ধুমুহা	...	৩৪
ভাল পাওঁ	...	৩৬
ফিৰিঙ্গটি	...	৪১
ধুমুহা	...	৪৩
ইতিহাসে কৰে পৰিহাস	...	৪৬
শ্ৰীমন্ত শঙ্কৰ	...	৪৮
সোণামুৱা	...	৪৯
আনন্দৰাম	...	৫৫
বাহাদুৰ গাঁওবুঢ়াৰ কবৰ	...	৫৯
অ' ৰূপহী তোমাৰ কিমান দূৰত ঘৰ	...	৬১
প্ৰকৃতি বিজয়	...	৬৪

দেশভক্ত ... ৬৬
কোৱা শৰাই ঘাট ... ৬৯
জওহৰলাল ... ৭৩
যোৰহাটৰ আটলীয়া গাওঁ ... ৭৪
সৈনিকৰ গীত ... ৮০

শুদ্ধৰণী

পৃষ্ঠা	শাৰী	অশুদ্ধ	শুদ্ধ
২	১৩	স্বতস্ফূর্ত্ত	স্বতঃস্ফুত
৩২	১৫	হাষ্টমনে	হৃষ্টমনে
৩৪	১১	স্নুৰৰ	মুৰৰ
৩৫	২০	কাঢ়িয়াই	কঢ়িয়াই
৫৯	১১	গাঁওবঢ়াৰ	গাঁওবুঢ়াৰ
৭০	২৪	যোৰাঘাট	ঘোৰাঘাট
৭৭	২০	ৰসদ	সদৰ
৮০	২	মৰ	মৰণ

জাতীয় পতাকা জয়

(গীত)

উৰে সৌ ভাৰতৰ জাতীয় নিচান,
মুক্তি প্ৰতীক পুত সুন্দৰ মহান,
কোটি কোটি মিলিত কণ্ঠে
দীপ্ত মুক্ত মধুৰ ছন্দে,
গাঁও আহা সমস্বৰে,
উদাৰ মহান সুৰে,
জাতীয় পতাকা জয়
জয় হিন্দুস্থান ।

লক্ষ লক্ষ জননী ভক্তে,
ৰাখিছে গৌৰৱ বক্ষ ৰক্তে,
দৰশনে হৰে যাৱ,
গ্লানি কত শতিকাৰ,
ত্ৰিৰঙ্গ পতাকা জয়,
জয় হিন্দুস্থান ।

সাম্য মৈত্ৰী স্বাধীনতা সৌৰ্য্য,
ধৰ্ম্ম, কৰ্ম্ম, উন্নতি, বীৰ্য্য,
হিংসা হীনতা ত্যাগ,
শক্তি মধুৰ ভাগ
প্ৰচাৰে পতাকা জয়
জয় হিন্দুস্থান ।

মুক্তি জ্যোতি গৌৰৱ সিক্ত
শান্তি ভক্তি মঙ্গল দীপ্ত ;
জাতীয় পতাকা ধৰি,
যাওঁ আহা আগবাঢ়ি,
ভাৰত জননী জয়,
জয় হিন্দুস্থান ।

জয়ধ্বনি

কৰ্ম্মৰ সমষ্টি এই মানবী জীৱন,
সিদ্ধিৰ সন্ধান যাৰ মনৰ আবেগ ;
অন্তৰত জৰি জৰি চৰি অহা আশা
কৰ্ম্মৰ মাজেদি যাৰ পূৰ্ণতা প্ৰকাশ ;
মানৱৰ হেঁপাহৰ সিদ্ধিৰ প্ৰতীক,
স্বতস্ফূৰ্ত্ত আনন্দৰ নিজৰা বিশেষ,
শব্দৰ বাহন কৰি প্ৰকাশে পাছত,
তাতে আগবাঢ়ে নৱ কৰ্ত্তব্য পথত ।
হৃদয়ৰ উত্তেজনা মনৰ আবেগ,
উদ্যোগৰ সিদ্ধি লাভ কৰ্মী জনৰ,
স্পন্দনত নাশ হয় হীনতা জড়তা,
শক্তিৰ সঁহাৰি আৰু আনন্দৰ ঢৌ,
সবাকে সামৰি লৈ ৰজনজনায়,
জয়ধ্বনি মানৱৰ যাত্ৰাৰ সম্বল ;
প্ৰগতি শকতি শান্তি মধুৰ মিলন ।

উঠা বীৰ

উঠা বীৰ ! উঠা এটিবাৰ,
জগতে তোমাক এৰিব নোৱাৰে,
তোমাৰ শক্তি নহলে নোখোলে
শান্তিৰ সিংহদ্বাৰ।

দুষ্টক তুমি কৰিলে দমন,
শিষ্টৰ হব তেতিয়া পালন,
যুগ যুগান্তৰ এইদৰে তুমি,
ধৰাৰ ৰাখিছা মান ;
পৰৰ ভবিষ্যতৰ কাৰণে,
সুন্দৰ পৃথিবী গঢ়িবৰ মনে,
নিজৰ জীৱন কৰিছা দান।

তুমি নিবিচাৰা পৃথিবীৰ ভোগ,
নিৰ্ভীক তুমি নাই কোনো শোক,
মৰণেহে যাচে বৰণৰ মালা ;
পৃথিবীয়ে দিয়া বুকুৰ শোণিত,
অযাচিতে সাধি জগতৰ হিত,
পুনৰ পৃথিবী বুকুতে ঢালা॥

মানুহে যেতিয়া নিজকে পাহৰি,
পাশৱ শক্তি আকোৱালি ধৰি,
ধৰণীক কৰে নৰক প্ৰায় ;

তোমাৰ পৃথিৱী তুমিয়েই ৰাখিবা,
বীৰৰ বেশেৰে আগবাঢ়ি যাবা,
তুমিটো নোৱাৰা থাকিব চাই।

বসুন্ধৰা এই বীৰৰ ভোগ্য,
কাপুৰুষ তাৰ নহয় যোগ্য,
বীৰৰ গৰিমা জগতে গায় ;
পালিব লাগিব বীৰৰ ধৰ্ম্ম,
সাধিব লাগিব মহান কৰ্ম্ম,
ৰাখোতা বীৰৰ বাহিৰে নাই।

মানৱে যেতিয়া দানবৰ দৰে,
ধৰাৰ শক্তি চুৰমাৰ কৰে,
শেষত অস্ত্র তুমিয়েই ধৰা ;
যত আবৰ্জ্জনা নীচ মানৱৰ,
আঁতৰাই দিয়া পাশৱ বলৰ,
নতুনেৰে তুমি পৃথিৱী গঢ়া।

বিষত লাগিব বিষৰ প্রয়োগ
শোণিতত হব শোণিতৰ যোগ,
মানৱ জগত তেতিয়া ৰ'ব ;
কত মহাত্মাৰ হিয়াৰ তেজেৰে,
কত তাপসৰ ত্যাগৰ বলেৰে
মানুহ কেতিয়া মানুহ হব ?

উঠা বীৰ ! এতিয়াও বাকী বহুত সময়,
হিয়া সঁফুৰাই মানে পৰাজয়
এতিয়া তোমাৰ আজৰি নাই ;
পৃথিবীৰ হ'ব সুদিন সিদিন,
সুৰত বাজিব শান্তিৰ বীণ,
চৰাচৰে সুখে থাকিব চাই ।

কোৱা বীৰ

কোৱা বীৰ ! উন্নত মোৰ শিৰ !
মই তুচ্ছ নহও, নিস্ব নহও
মই শৃঙ্গ হিমাদ্রিৰ ।

বীৰৰ ৰক্ত শিৰাই শিৰাই
সুস্থ দেহত বয়,
মৃত্যু ভয়ক তুচ্ছ কৰিছো,
মই যে মৃত্যুঞ্জয় ।

হিংসা বৃত্তি ঘৃণাৰ পাত্র
বাক্য মহাত্মাৰ
আত্মনাশৰ সম্বল ইটো
অস্ত্র দুৰাত্মাৰ ।

হিংসা নলৰ মূৰ্ত্ত প্রতীক
শক্তি কৰিম ধ্বংশ,
নৰ দানৱক মানৱ কৰিম
বিধি বিধাতাৰ অংশ ।

বুদ্ধ দেৱৰ শুদ্ধ সেৱক
ক্ষমা আমাৰ ধৰ্ম্ম ;
ভ্ৰান্ত জগত শান্ত কৰিম
এইযে আমাৰ কৰ্ম্ম।

দস্যুৰ দৰে পৰৰ বিভৱ
বিচৰাত মই নাই,
মোৰ ই মাতৃভূমিতেই ভব
মোৰ ই দেহৰ লয়।

প্ৰহৰি যে মই কৰিম ৰক্ষা
মাতৃভূমিৰ সিংহদ্বাৰ,
ভ্ৰান্ত নহও শ্ৰান্ত নহও
ই যে কাম্য অধিকাৰ

প্ৰাণ থাকে মানে মাতৃভূমিৰ
দস্যুক নিদিও অংশ,
জননীৰ হেতু মৰি উপজিম
ৰক্ত বীজৰ বংশ।

নীতিৰ আগত নত মোৰ শিৰ
ভীতিত অচল থিৰ,
দুৰ্জ্জয় মই অসিম শক্তি
মই যে মহাবীৰ।

ওমকাৰ মোৰ হুঙ্কাৰ ধ্বনি
বিশ্বৰ বীজ মন্ত্ৰ
কপিব মেদিনী জ্বলিব অগনি
স্তব্ধ সূৰ্য্য চন্দ্ৰ।

লুপ্ত নহয় সুপ্ত আছিল
মোৰ জননীৰ শক্তি,
জাগ্ৰত আজি শক্তি পুত্ৰ
হিয়াত মাতৃ ভক্তি।

জননীৰ মই পৃষ্ঠ ৰক্ষী
দেশ নায়কৰ যষ্ঠি,
বীৰ জোৱানৰ শক্তি,
কোটি কোটি মানবৰ কৃষ্টি।

কোৱা বীৰ! উন্নত মোৰ শিৰ,
মই তুচ্ছ নহও, নিম্ন নহও
মই শৃঙ্গ হিমাদ্ৰিৰ।

—×—

মই সীমান্তৰ প্ৰহৰী

মই সীমান্তৰ প্ৰহৰী!
যত দুৰ্জ্জয় যত মহাভয়,
সকলোটি মোৰ লগৰী
মই সীমান্তৰ প্ৰহৰী।

জননী মোৰ জন্মভূমিৰ,
সুন্দৰ ছবিটি বুকুত আঁকি,
ৰৈ আছো মই, পুজিম মাতৃ,
হিয়া সৰুঁৰাৰ শোণিত বাঁকি।

অহর্নিশে মোৰ একেটি চিন্তা
জন্মভূমিৰ দীপ্ত মান,
তুলনাত মোৰ সকলো তুচ্ছ,
বিলাস, শক্তি, বিভূতি প্ৰাণ।

দিগ দিগন্ত দেখোঁ অথন্ত
মোৰ ই মাতৃভূমি ;
পৃথিবীৰ যত সুখ আছে পাঁও,
মাতৃৰ অভয় চৰণ চুমি।

মৰণে মোৰ শৰণ ললে,
মৰণক মই নকৰো ভয়,
দুৰ্জ্জয় মোৰ হিয়াৰ দুৰ্গ,
মই যে নিৰ্ভীক মৃত্যুঞ্জয়।

পৰ্ব্বতৰ মই টিঙত বগাও
নিজান গুহাত কটাও ৰাতি,
দূৰ বিদূৰত চাই থাকো মই,
শত্ৰু দলৰ ভীষণ ঘাটি।

সূচ্যাগ্ৰ নিদিও, জন্মভূমিৰ,
প্ৰাণ থাকে মানে বুকুৰ মাটি ;
হয়তো মৰিম নহয় মাৰিম,
চিৰকাল আমি বীৰৰ জাতি।

শীতৰ হেচাত গীত গাও মই,
শিতল শৰীৰ উষ্ণ কৰা,

উত্তেজনাই দেশৰ ধৰ্ম্ম,
মন শিপিনীৰ শালত গঢ়া।

সপোনত মই স্বৰ্গ স্বৰূপ,
গাঁওখনি মোৰ দেখোঁ,
মোৰ প্ৰিয়জন সকলোকে পাই,
সুখৰ সময় লেখোঁ।

মালতীৰ দেখোঁ কেঁৰাহি চাৰুন,
পদুমীৰ মিচিকি হাঁহি,
খোপাত জিলিকে মনবৰে দিয়া
(১) দেও মালতিৰ পাহি।

পুখুৰীৰ পাৰৰ মেলত সিহঁতে
থাকে মোৰ ফালে চাই,
বীৰৰ কবচে মন যেন হৰে,
মোতকৈ যেন নাই।

কতনো আদৰ কতনো সাদৰ,
ঠেহ পেচ কত লাগে,
এনে গাওখনি সপোনতে উৰে,
যেতিয়া টোপনী ভাগে।

তই বুলিলেই জঁয় পৰি যোৱা,
মই গাৱঁলীয়া ডেকা,
দিঠকত মই দেশৰ প্ৰহৰী
হাতত তেজৰ চেকা।

---

(১) দেওমালতী—(দেৱমল্লিকা)– ইং (ডালীয়া)

নির্ম্মম মই নিষ্ঠুৰ মই,
জন্মভূমিৰ ভৃত্য,
ভালপাও মই সমৰ ক্ষেত্ৰ,
প্ৰলয় তাণ্ডৱ নৃত্য।

মোৰ সমুখত অৰাতিৰ দল,
সিহঁতো মোৰেই দৰে,
সিহঁতৰো আছে মানিকী মালতী
মৰমতো শেণ চৰে।

জানি শুনি মই শোণিত পিপাসী,
দেশৰ প্ৰহৰী মই,
মোকে আছে চাই কত জনতাই,
জননী কোলাত ৰ'ই।

ভয় নাই মই ৰাখিছো ছুৰাৰ,
সোমাব নোৱাৰে কোনো,
শঙ্কৰ মই পাণ্ডৱ ছুৰৰী,
অস্ত্ৰ গিলিব জানো।

পূজা কৰি মোক নোৱাৰে চলিব,
ময়ো যে অস্ত্ৰ পানি,
জননীক মই ৰক্ষা কৰিম
শত্ৰুৰ বুকুত হানি।

মই সীমান্তৰ প্ৰহৰী!
যত দুৰ্জ্জয় যত মহাভয়
সকলোটি মোৰ লগৰী।

এষাৰি মৰম মাতৰ ভিখাৰী,
আৰু নিবিচাৰো একো,
মৰম দেখিলে মৰণ পাহৰো,
জনতাক তাকে মাগো।

মুক্তি চতুৰ্দ্দশী

জয় হিন্দ! জয় হিন্দ!
প্ৰতিধ্বনি যায় জীন,
ভাৰতৰ আকাশত ৰজনজনাই,
আউসীৰ আগৰাতী,
অন্ধকাৰে ধৰে ছাটি,
সিও যেন ভাৰতৰ জেউতি চৰায়;
মুক্তা আজি মূৰ্ত্তিমতী আই।

পৰাধীন অন্ধকাৰ,
আঁতৰিল হাহাঁকাৰ,
জিলিকিলে নীলিমাত ত্ৰিৰঙ্গ নিচান,
শকাব্দিৰ কলঙ্কৰ,
বিদেশীৰ অহংকাৰ,
প্ৰতীক-পতাকা ভৰা, ভাৰত বিমান,
ত্ৰিৰঙ্গ নিচানে পুনু কৰিলে মহান।

কত যুগ যুগান্তৰ,
শত শীত বসন্তৰ
স্মৃতিত বাগৰে গীত দুখ ভাগৰৰ;

কালৰ সোঁতত বয়,
জয় কিম্বা পৰাজয়,
ঘূৰি আছে অবিৰাম চকৰি ত্যাগৰ,
উঠা নমা ইতিহাস এয়ে মানবৰ।

বুৰঞ্জীয়ে কৈ যায়,
কালৰ চাৰণে গায়,
গৌৰৱৰ কত শত গীত ভাৰতীৰ ;
জ্ঞানৰ পোহৰ পাই,
আগবাঢ়ি বসুধাই,
গাঁথি দিলে জয় মালা পুত্ৰ জননীৰ,
প্ৰকাশিলে দশোদিশ আঁতৰে তিমিৰ।

শত শত নৃপতিৰ,
লীলাভূমি শকতিৰ,
এই ভাৰতৰে কত উঠন পতন ;
হেজাৰ বছৰ যাৱ,
বিদেশীৰ অত্যাচাৰ,
আচৰিত তথাপিও আছে অমৰণ,
ত্ৰিৰঙ্গ নিচানে পুনু শোভিছে তোৰণ।

আদৰ্শৰ ৰাম ৰাজ,
স্মৃতিৰ নহয় বাজ,
ভাৰতৰ জনতাই থাকিব ধিয়াই ;
অহিংসাৰ ধৰি আঁত
কৰমেৰে বুলি বাট
'আগবাঢ়া' বুলি মাথো দিয়ে সোঁৱৰাই,
মহা মানবেও আজি তাকেই সুচায়।

অমৰণ অভগন,
ভাৰতৰ জনগণ,
জগতক দিব লগা আছে সমাচাৰ;
মানৱৰ পূৰ্ণৰূপ,
অনন্ত জ্ঞানৰ ধূপ,
জ্বলি উজলাব পুনু গৌৰৱ ধৰাৰ,
মিলি যাব মধুৰত মধুৰ সম্ভাৰ।

জিলিমিলি দৰশন,
খেলিমেলি সোঁৱৰণ,
ইতিহাস, পৰিহাস মাথোঁ মানৱৰ;
মাজে মাজে চিক্‌মিক্,
পোহৰাই দশোদিক,
আচৰিত কৰি মন জন জগতৰ,
চাওঁতে চাওঁতে আহে ঘোৰ অন্ধকাৰ।

তথাপিও ভাৰতৰ,
সুধা গন্ধ অতীতৰ,
অফুৰন্ত সঁফুৰাৰ মধু বৰষণ;
কোনো কালে নোহে ক্ষীণ,
কালত নাযায় জীন,
চৰি যাব যুগে যুগে ৰূপৰ ৰহন,
পূত জ্যোতি দশোদিশ কৰি বিকিৰণ।

হস্তীনাই মানে হাৰ,
ইন্দ্ৰপ্ৰস্থে মেলে দ্বাৰ,
পাটলিপুত্ৰই পুনু পাতিলে আসন;

উজ্জয়িনী বিক্রমৰ,
প্ৰতিভাৰ মন্দিৰৰ,
কোনে কয় ৰত্ন ৰাজি হ'ল অৱসান,
প্ৰাগ জ্যোতিষতো জানো পৰিব মোলান।

বগা বালি যমুনাৰ,
পদ ধূলি মহিমাৰ,
বংশীধ্বনি কৰি যেন মুহিলে ভাৰত ;
কৰমৰ দীক্ষা দান,
ধৰমৰ তুলি বান,
কোটি কোটি মানৱৰ থাপিলে হিয়াত,
অনন্ত মহান জ্যোতি সুন্দৰ বিৰাট।

তুলি ধ্বনি অহিংসাৰ,
বোৱাই শান্তিৰ ধাৰ,
জগতক দিলে শিক্ষা শুদ্ধ অভিনৱ ;
পৃথিবীৰ শ্ৰেষ্ঠ বৰ,
খ্যাতি মুনি গৌতমৰ,
প্ৰকাশিলে পঞ্চশীল অমৃত বিভৱ,
পৰাজিত অস্ত্ৰ সস্ত্ৰ ক্ষত্ৰিয় গৌৰৱ।

শ্মশানত ফুলে ফুল,
কদাপি নহয় ভুল,
থানেস্বৰ পানীপট তাৰে নিদৰ্শন ;
শোণিতৰ বলে ঢল,
লক্ষজন উটি গল,
পৰাজিতে আৰম্ভিলে পুনু অভিযান,
শ্মশানত উকৰালে বিজয় নিচান।

পশুবল মাৰ গল,
মানবৰ জয় হ'ল,
        ৰক্তহীন সমৰত মহা মানৱৰ,
কৃতজ্ঞ জগতে চাই,
অভিনৱ পথ পাই,
        আদৰিলে আনন্দত আত্মা ভাৰতৰ,
        অন্ত হ'ল আত্মঘাতী যুদ্ধ দানৱৰ।

চূৰ্ণ হল কাৰাগাৰ,
মুক্তা মাতৃ বসুধাৰ,
        আঁতৰিল জগতৰ পাপ মূৰ্ত্তিমান ;
শান্তিৰ মলয়া বাই,
গৌৰৱৰ গীত গাই,
        উৰুৱালে ভাৰতৰ গৌৰৱ নিচান,
        ধন্য ত্যাগী বীৰ পুত্ৰ আদৰ্শ মহান।

জয় হিন্দ! জয় হিন্দ!
        প্ৰতিধ্বনি যায় জীন,
        ভাৰতৰ আকাশত ৰজনজনাই ;
আউসীৰ আগৰাতি
অন্ধকাৰে ধৰে ছাটি
        সিও যেন ভাৰতৰ জেউতি চৰায়,
মুক্তা আজি মূৰ্ত্তিমতী আই।*

---

* ভাৰতত উৎসৱ আদি তিথি অনুসৰি পালন কৰা হয়, গতিকে ১৫ আগষ্ট সুৰুলি "মুক্তি চতুৰ্দ্দশী" বোলা হৈছে। স্বাধীনতা ঘোষণাৰ সময় আউসীৰ আগদিনাৰ চতুৰ্দ্দশী।

১৯৫৮ চনৰ ১৫ আগষ্টত গোলোকচন্দ্ৰ বৰুৱা দেৱৰ সভাপতিত্বত বহা টীয়কৰ স্বাধীনতা উৎসৱত পঠিত।

হে জননী ভাৰতবৰ্ষ

হে জননী ভাৰতবৰ্ষ।
তুমি মোৰ জন্মভূমি, কৰ্ম্মভূমি, তীৰ্থভূমি,
তুমি মোৰ মৰতৰ স্বৰ্গ।
শুনিছো স্বৰ্গৰ কথা সকলো সুখৰ, সকলো ভোগৰ
সকলো সুন্দৰ বুলি
কল্পনাতে শুনি মিলে হৰ্ষ।
তুমি কিন্তু দিঠকৰ স্বৰ্গভূমি মোৰ,
সকলো আপোন সেয়ে তোমাৰ বুকুৰ ;
পৃথিবীৰ জ্যোতিৰ্ম্ময় এনেখনি দেশ,
সৌন্দৰ্য্যৰ লীলাভূমি স্বৰ্গ মৰতৰ।

মহাগিৰি মহাসিন্ধু দুয়ো একেলগে,
সাৱতি ধৰিছে যাৰ সুন্দৰ শৰীৰ,
পৃথিবীৰ সৰু এটি পূণ্য তাণ্ডৱণ,
অনৈক্যৰ মাজে ঐক্য দিব্য নিদৰ্শন।
দেখা দি বিচিত্ৰ ৰূপে প্ৰকৃতিয়ে নিজে,
অপূৰ্ব মহান চিত্ৰ আঁকে মিলনৰ।

সিন্ধুৰ তীৰত জ্বলা জ্ঞান কণিকাৰ
অপূৰ্ব্ব জ্যোতিয়ে যাৰ পোহৰাই ধৰা,
গঙ্গা, যমুনা, সিন্ধু, নৰ্ম্মদা কাবেৰী
মহানদী গোদাৱৰী কৃষ্ণা লৌহিত্যৰ
তীৰে তীৰে বৈ যায় জ্ঞানৰ নিজৰা।

মহান জ্ঞানৰ মনি বেদ বেদান্তৰ,
মহাকাব্য ৰামায়ণ মহাভাৰতৰ,
কত কবি শাস্ত্ৰকাৰে কৰিলে জগত জয়,
অস্ত্ৰেৰে নহয় মাথো জ্ঞানৰ বলেৰে।
একে জ্ঞান, একে ধ্যান, একে প্ৰাণ সেয়ে,
সুখ দুখ ভাৰতৰ মহামানৱৰ।

কালত পাহৰি গলে আকৌ সুৰঁৰি চাই,
একতাৰ গৌৰৱতে আগবাঢ়ি যায়,
কত আৰ্য্য-অনাৰ্য্যৰ শক যবনৰ,
তুমিয়ে ভাৰতমাতৃ জিৰণি কোলাৰ ;
তোমাৰেই মৰমতে পাহৰি সকলো
মহামানৱৰ তীৰ্থ কৰিছে ঘোষণা।

পৃথিবীৰ শ্ৰেষ্ঠ বস্তু সকলোটি আনি,
সাৱতি লৈছা মাতৃ কোলাতে তোমাৰ,
সেয়ে তুমি সৰ্ব্বশ্ৰেষ্ঠ তীৰ্থ বসুধাৰ।
দয়া মায়া ক্ষমা প্ৰেম মৰম চেনেহ,
সমানে বিলাই দিয়া সবাৰে হিয়াত ;
সেয়েহে সদায় তুমি অচল অটল,
সত্যৰ সদায় জয়, জানা চিৰকাল।

একে ডালি সোনোৱালী এনাজৰী মেলি,
বান্ধিছা সকলোটিকে আপোন ভাৱেৰে
তোমাৰেই লীলাভূমি আসমুদ্ৰ হিমাচল
সুখে দুখে সমভাগী সদায় তোমাৰ।

চিনিছে মানুহে আজি মানুহক নিজে,
পাশবিক অত্যাচাৰে ক্ৰমে মানে হাৰ,
তোমাৰ সন্তান আজি ভাৰত সন্তান
নোহে পঞ্চনদবাসী নোহে কামৰূপী
নোহে ৰাজপুত কিম্বা মাৰাঠা কাশ্মিৰী,
নহয় উৎকলবাসী নোহে গুজৰাটী,
ভাৰত মাতৃৰ সুখে সকলোটি সুখী।
থাকিলে ভাৰত মাতৃ থাকিব সকলো,
নাথাকিলে সকলোৰে চিন চাব যাব।

মানুহেই পৃথিবীৰ গৌৰৱৰ খনি,
মানুহৰ অবিহনে পৃথিবী কিহৰ!
সেয়েহে ভাৰতে আজি সাৰতিব খোজে,
মানুহৰ মিত্ৰৰূপে সকলো মানুহ।
তথাপিও পাশবিক বলে বলিয়ান,
পৃথিবীৰ অত্যাচাৰী মানৱ দানৱে,
আজি জননীক যদি কৰে অপমান,
উঠিব সকলো জাগি ভাৰত সন্তান;
আচৰিত হৈ চাব জগতবাসীয়ে
মহামিলনৰ চিত্ৰ মাতৃ পূজকৰ।

আজি যদি নামি আহে সৰগৰ পৰা,
ৰণজিৎ সিংহ বীৰ পঞ্চনদপতি,
মাৰাঠা জাতিৰ পিতা 'শিৱাজী' কেশৰী,
মহাৰাণা ৰাজসিংহ দুৰ্জ্জয় প্ৰতাপ;
অসমৰ মহাবীৰ লাচিত ফুকন,
প্ৰতাপ আদিত্য কিম্বা চিৰাজ বঙ্গৰ,
আৰু যত ভাৰতৰ বীৰ বীৰাঙ্গনা,

সকলোটি মিলিজুলি পৰম বিক্ৰমে
কৰিব ভাৰত ৰক্ষা অবাতিৰ পৰা।
শক্তিশালী ভাৰতৰ শক্তিৰ প্ৰতীক
একতাৰ জয়ধ্বনি মাতৃ মন্ত্ৰ সাৰ,
সুন্দৰ সি সুকোমল কুসুমৰ দৰে,
বজ্ৰতো অধিক কিন্তু দুৰন্ত শত্ৰুৰ।
ভ্ৰাতৃৰ বিচ্ছেদ নামে নোৱাৰে ঘটাব,
একে জননীৰ পুত্ৰ বিবিধ নামেৰে,
চলি আছে পৃথিবীত নহয় নতুন।

কাশ্মীৰৰ দুৰ্গটিত অসমে কান্দিব,
মাৰাঠাৰ গৌৰৱত উৎকলে হাঁহিব,
ৰাজস্থানে আগবাঢ়ি কাশ্মিৰ ৰাখিব,
অসমৰ সীমান্তত শিখে দেখা দিব।
সমুদ্ৰ জলেৰে ধোৱা হিমাচল আকোৱলা
তোমাৰ বুকুত কোনো ভিনপৰ নাই,
কাশ্মিৰী, দ্ৰাবিড় ৰাজস্থানী গুজৰাটী,
মাৰাঠা মাদ্ৰাজী হিন্দি পঞ্চনদবাসী,
অসম, মালৱ, অঙ্গ, বঙ্গ, কলিঙ্গৰ,
লক্ষ লক্ষ জনতাৰ পবিত্ৰ সুন্দৰ
এক মাত্ৰ জন্মভূমি তুমিয়ে জননী।

বিশ্বৰ মহান স্ৰষ্টা, বেদান্তৰ শেষ,
একমাত্ৰ সৃষ্টিকৰ, মানৱে বিচাৰি,
তোমাতেই পালে আই আদিম মানৱে,
সেয়েহে তোমাৰ কোলা বিচিত্ৰৰে ভৰা,
ভেদৰ মাজত মহা মিলনৰে গঢ়া।

বিধাতাৰ কল্পনাৰ অদ্বিতীয় ৰূপ,
বুজাবা সুবুজা কিন্তু তোমাৰ সন্তানে,
তাৰেই সন্ধান দিলে জগতবাসীক—
বহু নামে উপাসিত একমাত্র ওঁ।*

আগবাঢ়ি যায় নব জোৱান

আগবাঢ়ি যায় আগবাঢ়ি যায়,
আগবাঢ়ি যায় নব জোৱান।
লঙ্ঘি অলঙ্ঘ্য পৰ্ব্বতৰাজি
শক্তি পূজাৰী বীৰ বেশে সাজি,
জীৱনৰ মায়া সকলোটি নাশি,
জগতত ৰাখি জননী মান।
আগবাঢ়ি যায় আগবাঢ়ি যায়,
আগবাঢ়ি যায় নব জোৱান।

জান জুৰিনৈ বিপদ নামানি,
মৰু প্ৰান্তৰৰ বনৰ বিঘিনি,
জাৰ জহ দুখ একোকে নগণি
জননী ভক্ত উদাৰ প্ৰাণ ;
আগবাঢ়ি যায় আগবাঢ়ি যায়,
আগবাঢ়ি যায় নব জোৱান।

---

* তৎ একং যৎ বহুধা বদন্তি।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ দ্বাৰা ২০-১০-৬৫ তাৰিখে কবি শ্ৰীদেৱকান্ত বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত কবিসন্মিলনত পঠিত।

হিমাদ্রি শিখৰ কৰে তলমল
নৱ দানৱৰ মহা কোলাহল,
মুৰে ভৰিকঢ়া অসুৰৰ দল,
নাশিবৰ হকে পশু অভিযান,
আগবাঢ়ি যায় আগবাঢ়ি যায়
আগবাঢ়ি যায় নব জোৱান।

গৰ্জ্জে কামান বৰষে অগ্নি,
বেৰে চৌদিশে বিপদ বিঘিনি,
ভয় বিভিষীকা মৃত্যু নগনি,
অটুত সাহসে সুস্থ প্ৰাণ ;
আগবাঢ়ি যায় আগবাঢ়ি যায়,
আগবাঢ়ি যায় নব জোৱান।

শাক্য মুনিৰ বাক্য পাহৰি
পঞ্চশীলক মোহাৰি সামৰি,
জুইত জপিয়াই ভাগ্য বিচাৰি
এই যে স্বৰ্গ নকৰি কাণ
আগবাঢ়ি যায় আগবাঢ়ি যায়
আগবাঢ়ি যায় নব জোৱান।

মহা মানৱৰ বুকুৰ তেজেৰে,
কত শ্বহীদৰ জীৱন ফুলেৰে,
কত অনাথৰ চকুৰ পানীৰে
গঢ়া স্বাধীনতা, ৰাখি মহাদান ;
আগবাঢ়ি যায় আগবাঢ়ি যায়,
আগবাঢ়ি যায় নব জোৱান।

বুকুৰ তেজেৰে কৰি অভিসাৰ,
কোটি জনতাৰ জীৱনৰ ভাৰ,
ৰাখি, কৰি দিব সীমান্তৰ পাৰ,
নাশি দানৱৰ মহা অভিমান ;
আগবাঢ়ি যায় আগবাঢ়ি যায়,
আগবাঢ়ি যায় নব জোৱান।

মাৰিব লাগিব মৰিব লাগিব,
চকুৰ পানীৰে দেশ উটি যাব,
সকলো কষ্ট সহিব লাগিব,
মৰণেৰে ৰাখি জননীমান ;
আগবাঢ়ি যায় আগবাঢ়ি যায়
আগবাঢ়ি যায় নব জোৱান।

প্ৰাণৰ লগত ধনৰ চুক্তি
ইযে নহয় বীৰৰ উক্তি
মৰণ ফুলেৰে বৰিব মুক্তি,
চঞ্চল চিৰ স্বাসত প্ৰাণ,
আগবাঢ়ি যায় আগবাঢ়ি যায়,
আগবাঢ়ি যায় নব জোৱান।

স্বাধীন ভাৰত সবাৰে জীৱন
পৰাধীনতাত জীৱিত মৰণ,
প্ৰাণহীন দেহা কিবা প্ৰয়োজন ;
আগবাঢ়ি যায় আগবাঢ়ি যায়,
আগবাঢ়ি যায় নব জোৱান।

আদি মানৱৰ মহান সৃষ্টি
যুগে যুগে গঢ়া মধুৰ কৃষ্টি,
ৰাখি, আঁতৰাই মানৱ দৃষ্টি,
শকতিৰ ই যে মহা অভিযান,
আগবাঢ়ি যায় আগবাঢ়ি যায়
আগবাঢ়ি যায় নব জোৱান।

দেশ উটি গলে সকলোটি যাব,
দাসৰ জননী কোনে ঘূৰি চাব,
দেশক ৰাখিলে সকলোটি ৰ'ব,
বাকি দিয়া আজি হিয়াৰ দান ;
আগবাঢ়ি যায় আগবাঢ়ি যায়,
আগবাঢ়ি যায় নব জোৱান।

শান্তিৰে থকা জনতা সকলে,
উদাৰ হিয়াৰে এবাৰ ভাবিলে,
কৃতজ্ঞতাৰে চকুলো টুকিলে,
কত যে তৃপ্তি কত মহান!
আগবাঢ়ি যায় আগবাঢ়ি যায়,
আগবাঢ়ি যায় নব জোৱান।

এৰি ভেদাভেদ একতা দোলেৰে,
কোটি জনতাৰ একেটি প্ৰাণেৰে,
মাতৃ পূজাৰ বিজয় গানেৰে,
জলোৱা সবাৰে সুপ্ত প্ৰাণ ;
আগবাঢ়ি যায় আগবাঢ়ি যায়,
আগবাঢ়ি যায় নব জোৱান।

পৃথিবীয়ে আজি নতুন সাজেৰে,
ভাৰত জ্যোতি উজ্জ্বল ৰূপেৰে,
দেখি চমকিত সন্তোষ মনেৰে,
ধৰক জননী বিজয় গান ;
আগবাঢ়ি যায় আগবাঢ়ি যায়
আগবাঢ়ি যায় নব জোৱান।

গোৱা সমস্বৰে ভাৰতৰ জয়,
জনতাৰ আজি নাই কোনো ভয়,
একতাৰে কৰি অবাতিক ক্ষয়,
সঞ্চাৰি দেহৰ নতুন প্ৰাণ ;
আগবাঢ়ি যায় আগবাঢ়ি যায়
আগবাঢ়ি যায় নব জোৱান ।

ত্ৰিৰঙ্গ পতাকা

কোটি কোটি জনতাৰ হিয়াৰ তেজেৰে গঢ়া
ভাৰতীৰ শিৰৰ মুকুট ;
মলয়াত হালি জালি নীল আকাশৰ তলে
সগৌৰৱে উৰে সৌ ত্ৰিৰঙ্গ নিচান।
সাম্য মৈত্ৰী স্বাধীনতা ঘোষে নিৰন্তৰ
ভাৰতৰ কাম্য নীতি যুগ যুগান্তৰ
অশান্তি ধৰাত টানি শান্তিয়নি জল
মহান ত্যাগৰ ধ্বজা মহিমা মণ্ডিতা,
উৰি আছে ভাৰতৰ ত্ৰিৰঙ্গ পতাকা ।

শত শত আঘাটৰ মূৰ পাতি লই,
চিন্ন ভিন্ন একতাৰ জোৰনি সূচাই,
সত্য শুদ্ধ ভাৰতৰ জীৱন কাহিনী,
শক্তি কামী জগতৰ আদৰ্শৰ খনি।
কুৰুক্ষেত্ৰ পাণীপথ থানেশ্বৰ কত,
শত শত পৰীক্ষাৰ জয় পৰাজয়,
ক্ষন্তেকৰ শত্ৰু কিন্তু মিত্ৰ চিৰকাল ;
শক্তিশালী ভাৰতৰ শক্তিৰ প্ৰতীক,
সকলোটি মিলি গল মহা মিলনত,
একেখনি কোলাতেই যেন সোদৰৰ।
নিমিলি নোৱাৰে ৰব অজীন পাণ্ডকী
হয়তো আঁতৰি যাব, নোহে নিজে ধ্বংশ হব।
ভাৰতৰ এয়ে নীতি যুগ যুগান্তৰ ,
জগতৰ কৰ্ণধাৰ মহাপুৰুষৰ,
সবাৰে মিলন ভূমি ভাৰত জননী
হীনতা নীচতা নাই, শিক্ষা ভাৰতৰ
জানে সকলোৱে শেষ, একেটি সত্যৰ।
এখনি সুন্দৰ ধৰা এখনি আকাশ,
এখনি মহান সৃষ্টি একে বিধাতাৰ,
ভিন ভিন বেশ কিন্তু একেই মানৱ।
যুগৰ লগত মিলি যুগৰ সাৰথি,
বুৰঞ্জীয়ে শিক্ষা দিয়ে কাল উপযোগী ;
উলটি মানৱে দেখে কলঙ্ক নিজৰ,
আশা নিৰাশাৰ কত জয় পৰাজয়।

যুগৰ লগত ঠেলি ঘাত প্ৰতিঘাত
ভাৰতৰ ভাগ্য লক্ষ্মী ঘূৰিছে পুনৰ।

শত্রু মিত্র ভেদাভেদ ক্ষন্তেকৰ হেতু,
যুগৰ লগত যুগ আন্ধাৰে পোহৰে,
শত্রুৱে শিকনি দিয়ে মিত্র গুছি যায়,
ইতিহাসে পৰিহাস কৰিছে সদায় ।

ভাস্কৰৰ তীব্র জ্যোতি সামান্য ডাৱৰে,
ক্ষন্তেক ঢাকিব পাৰে নোৱাৰে সদায়,
শৰতৰ পূর্ণিমাৰ বিমল চন্দ্রমা,
আঁতৰি পলাই জানো মেঘৰ আঁৰত,
কত যুগ আতৰিল কত নিৰাশাই—
দেখা দি আঁতৰি গল কালৰ সোঁতত
তথাপি ভাৰত আজি ভাৰতেই আছে—
অমৰণ অভগণ অক্ষয় অব্যয় ।
উৰি আজি ধৰিত্রীৰ সুনীল আকাশে,
জলে স্থলে ভাৰতৰ ত্রিৰঙ্গ নিচান,
অব্যক্ত ভাৰত দিয়ে শান্তিৰ বাতৰি,
মতলীয়া পৃথিবীয়ে চাই তথা লাগি ।

খহি যাব পাশবিক অস্ত্র দানৱৰ,
জয়যুক্ত হব সত্য মুক্তি মানৱৰ,
এই নিচানতে আছে জীৱন মৰণ,
ইয়াৰ পূজাতে হব সার্থক জীৱন ।
সেয়েহে বাঢ়িছে আগ যুৱকৰ দল,
উলটি উলটি চাই ঘটনা কালৰ ।

এডালি সূতাৰে গঠা একেধাৰি মণি
আসমুদ্র হিমাচল জাগিছে ভাৰত ;
জাতিৰ গৌৰৱ ধ্বজা বুকুত সামৰি
আগবাঢ়ে ভাৰতৰ যুৱকৰ দল ।

দর্শনত বাঢ়ে যাৰ হিয়াৰ শকতি,
সোঁৱৰাই প্ৰাণে প্ৰাণে মাতৃৰ ভকতি,
গৌৰৱৰ নিদৰ্শন জনম ভূমিৰ,
শক্তি ভক্তি নীতি কৃষ্টি পূৰ্ণ সমাবেশ।
সগৌৰবে উৰি থাকা ত্ৰিৰঙ্গ পতাকা,
তোমাৰ উন্নত শিৰ নোহে অৱনত,
জাতীয় শক্তিৰ পূৰ্ণ প্ৰতীক মহান,
জয় জয় ভাৰতৰ ত্ৰিৰঙ্গ নিচান।

—x—

তিলকৰ বিচাৰ

নীৰৱ বিচাৰ সভা।
জননীৰ কপালৰ গৌৰৱ তিলক,
দোষী ৰূপে উপস্থিত বিচাৰালয়ত।
যন্ত্ৰ প্ৰায় ন্যায়াধীশ,
ন্যায় নে অন্যায় ভাবি বিচাৰৰ ৰায়।

এফালে ন্যায়ৰ দণ্ড কৰ্ত্তব্য মহান;
আনফালে স্বাৰ্থভৰা স্বজাতিৰ প্ৰীতি,
সন্মুখত উপস্থিত মহান পুৰুষ
মূৰ্ত্তিমান প্ৰতিনিধি
লক্ষ জনতাৰ।

সমগ্ৰ ভাৰতবৰ্ষ পাতি আছে কাণ,
উত্তেজিত মহাৰাষ্ট্ৰ গণি আছে কাল,

শৃঙ্খলিত কেশৰীৰ দণ্ডৰ বিধান,
কিদৰে প্ৰয়োগ কৰে বিদেশী শাসকে।

স্তব্ধ বিচাৰ কক্ষ স্তব্ধ জনগণ,
থোকা থুকি মাতে দিলে বিচাৰকে ৰায় –
"তিলকৰ উচিত দণ্ড ৰাজবিদ্ৰোহৰ।"
"ইয়াৰ বিষয়ে যদি কথা আছে কিবা",
ন্যায়াধীশে আদেশিলে মহান বন্দীক,
"বিচাৰৰ নীতি মতে বিচাৰ কক্ষত,
কব পাৰে নিজ মত দোষ নাই তাত।"

সৌম্য মূৰ্ত্তি মহাতেজা
মাৰাঠা কেশৰী
সম্বোধি বিচাৰপতি
কলে ধীৰে ধীৰে
"বিচাৰত কদাপিও সন্তুষ্ট নহও মই
ৰাজদ্ৰোহী দোষী মই নহও কদাপি,
তাৰো ওপৰত আছে ন্যায় বিচাৰক,
সেই বিচাৰকে কৰে সকলো বিচাৰ ;
যেনি যিটো হব লাগে নিতে জগতৰ।
মোৰ এই নিৰ্য্যাতনে জগাব ভাৰতবাসী,
জাগিব মাৰাঠা দেশ পৰ্ব্বতে কন্দৰে,
বিচাৰৰ ভাৰ লব জনতাই নিজে,
আনিব মাতৃৰ মুক্তি মোৰ নিৰ্য্যাতনে।

———

মই আজি ৰচিম কবিতা

সত্য সুন্দৰৰ বাস্তৱ ৰূপত
মুক্ত হিয়াৰ মুক্ত ভাবত,
ভয় ভ্ৰান্তি দুখ দৈন্য তিয়াগি
মই আজি ৰচিম কবিতা।

আজি, এই হিয়া ভৰা কবিতাত মোৰ,
নাথাকিব চিনচাব পৰাধীনতাৰ,
নাথাকিব হীনতাৰ কলুষ কালিমা,
নাথাকিব উৎপীড়ন আৰু হাহাকাৰ।

সুদীৰ্ঘ শতিকাৰ পৰ পদ দলিতৰ
কবিতাই পাব আজি নতুন জীৱন,
অসত্যক সত্য কৰি ভয়ৰ দন্দেৰে
কৰিব নোৱাৰে তাৰ ছন্দৰ পতন।
কবিতাৰে স্তুতি গান নালাগে কৰিব,
হীনতাৰ দীনতাৰে তোষামোদ কৰি,
শৃঙ্খলিত কৰে যেয়ে জননীক মোৰ।

মোৰ আজি কবিতাই নকৰে স্বীকাৰ,
স্বাৰ্থপৰ পাশবিক হীন সভ্যতাৰ,
নিদৰ্শন স্বৰূপেৰে কোনো নৃপতিক ;
জনগণ নেতাৰূপে ভাৰত মাতৃৰ।
স্থান নাই তেনে ভাগ্য বিধাতাৰ, আজি,
ক্ষুদ্ৰ স্বাৰ্থ লৈ কোনো স্বাধীন কবিয়ে,
আশা কৰি অনুগ্ৰহ দস্যু বিজেতাৰ,
মিলাব নালাগে ছন্দ হিয়াৰ তেজেৰে।

তুমি কোৱা স্মৃতিভ্ৰষ্ট বুৰঞ্জী লিখক ;
"ভাৰত জননী মাত্ৰ পৰাধীন তিনি শতিকাৰ ;
মই কওঁ ভুল সিটো, স্বাৰ্থপৰ ভাব প্ৰৱণতা—
অসত্যক সত্য বুলি কৰিছে প্ৰচাৰ ।
অন্তৰত বিষ বৃক্ষ, মুখত অমৃত ভাণ্ড
স্বৰ্ণভূমি ভাৰতৰ কৰি গুণ গান,
হাতৰ শানিত অস্ত্ৰ বুকুত লুকাই—
ধ্বংশ কৰে জননীৰ একতা মহান ।

মানুহ, মানুহ মাত্ৰ দেৱতা নহয়—
পৰাধীনতাৰ যত কলঙ্ক কালিমা ;
অন্তৰত সত্যভাৱ অন্তৰতে ৰাখি,
দীনতাৰ হীনতাৰ প্ৰচাৰে গৰিমা ।
শৃঙ্খলিত জননীৰ নিৰূপাই কবি
দেখিও নেদেখি থাকে মানৱ দানৱে,
অশান্তিৰে পৃথিবীক কৰিলে ব্যাকুল
মানৱৰ গুণ দেখো কেনিবা লুকাল ।
ধ্বংশ হল আজি সেই পাশবিক অত্যাচাৰ
মানৱৰ মহিমাৰ পৰি দিব্য জ্যোতি,
হেজাৰ বছৰ ধৰি শৃঙ্খলিত জননীৰ,
আজিহে দেখিছে পুনু, জ্যোতিৰ্ম্ময়ী
মুক্তা-মূৰ্ত্তিমতী

আজি কিন্তু নাই সেই অসত্য আশ্ৰয়,
শুদ্ধসত্ব পবিত্ৰৰ একান্ত সেৱকে,
নতুন যুগৰ ৰচি কবিতা সুন্দৰ,
প্ৰচাৰিব জননীৰ পবিত্ৰ গৌৰৱ ।

শত শত বৰষৰ সিপাৰত থকা,
অতীতৰ মাৰ যোৱা উজ্জ্বল গৌৰৱে,
জগতত বিয়পাব ভাৰত মহিমা,
সত্য সেৱী কবিকুলে মুক্ত লিখনীৰে।

মুক্ত আকাশৰ তলে মুক্তা জননীৰ,
কোলাত আশ্ৰয় লৈ মুক্ত কবিকুলে,
মুক্তিৰ গৌৰৱ গানে কৰি মুখৰিত ;
ভাৰতৰ ভাগ্যৰবি আনিব আদৰি।

অনেক শতিকা জোৰা পৰাধীনতাতে
মুক্তিৰ আশীষ কণা পাহৰি পেলোৱা,
জনতাই মুক্তিস্নান কৰি পুনৰায়,
হিয়াত সামৰি লব যুগৰ সম্ভাৰ,
নব স্বাধীনতা ধন তুচ্ছ কৰি প্ৰাণ।

মই আজি কল্পনাতে দেখিছো সপোন,
দিঠকত, বাস্তৱত, হ'ব পৰিণত ;
আন্ধাৰ ধৰাত সিঁচি জ্ঞানৰ কণিকা—
যেনেদৰে ভাৰতীৰ সেৱক সকলে,
আন্ধাৰ ধৰাত ঢালি জ্ঞানৰ গৰিমা,
জ্যোতির্ম্ময়ী ৰূপে দিলে নতুন জনম।

সেইদৰে ভাৰতৰ নবজাগৰণে,
লৈ যাব পৃথিবীৰ দূৰণিত থকা—
জনতাৰ পূৰ্ণ কৰি পবিত্ৰ আগ্ৰহ;
সুন্দৰ স্বাস্বত সেই শান্তিৰ বতৰা ;

নিষ্পেষিত, ভূমণ্ডল জোৰা জনতাই,
নগৰে নগৰে কিম্বা কন্দৰে কন্দৰে—
আগ্ৰহেৰে চাব ভাৰতৰ জয়মান ;
কিম্বা ৰাজহংস ৰূপ শান্তিৰ বিমান।
পাশবিক পৃথিবীৰ জাতি সমূহক,
ভাৰতেই দিব পুনু শান্তিৰ বতৰা।

শক্তিৰে সমান কৰা অসমান পৃথিবীত,
সত্য অহিংসাৰ বাণী বাহি হ স যান,
বন্দৰত উপস্থিত হব সেইদিন,
আচৰিত পৃথিবীয়ে দেখিব সিদিন,
সিদ্ধাৰ্থৰ সিদ্ধবস্তু অন্তৰত বান্ধি—
প্ৰবেশিছে শান্তিদূত দুৱাৰে দুৱাৰে।

পৃথিবীৰ জনগণে কুৰি শতিকাৰ,
ভাৰতৰ অৱতাৰ যুগ মানৱক,
হৃষ্টমনে আগ্ৰহেৰে কৰিব স্বীকাৰ।
ভাৰতেই জগতৰ সত্যৰ প্ৰতীক,
উটি যোৱা নাই সিটো কালৰ সোঁতত,
নত শিৰ হৈ দানৱৰ অত্যাচাৰ,
পৰাজিত ৰূপে যায় কৰি পলায়ন।

স্বভাৰতে ঘূৰি অহা ভাৰত সম্পদ,
ভাৰতৰ জনতাৰ শিৰৰ ভূষণ
সংহতিৰ সেয়ে শক্তি চিৰ জ্যোতিৰ্ম্ময়।
সদায় সিদ্ধাৰ্থ নাহে, নোপোৱা মহাত্মা,

থাকিব মাথোন সেই পবিত্র আদর্শ—
আদর্শৰ অধিকাৰী ভাৰতৰ প্ৰজা।
দুঃখৰ লগত অহা উশৃঙ্খল ৰীতি—
অত্যাচাৰ অনাচাৰ প্ৰকৃতি পুঞ্জৰ—
ধ্বংশ হব লাগিবই নব ভাৰতত,
অনায়াসে অচিৰতে অনতি পলমে।

নতুন যুগৰ এই নব জনমত,
পৰক মনত যত ভাৰতবাসীৰ,
"জননী জন্মভূমি স্বৰ্গতো অধিক।"
উঠক অন্তৰ জুৰি ধ্যানৰ পবিত্ৰ ৰূপ,
সুশোভিত শিৰে যাৰ গিৰি হিমাচল,
পাদ ধৌত কৰে যাৰ সুনীল সাগৰ,
বিন্ধ্য মেখলা বৃত, গঙ্গা যমুনা ধাৰ,
লৌহিত্য, নৰ্ম্মদা সিন্ধু শৰীৰ ভূষণ,
সুজলা, সুফলা ভৰা শস্যৰ সম্ভাৰ
জ্যোতিৰ্ম্ময়ী দিব্যৰূপ জননী আমাৰ।

— —

ধুমুহা

ভীষণ ধুমুহা তই পিশাচী নে যখিনী ,
কোন অসুৰৰ তই আপদীয়া গৃহিনী
কাৰে দন কৰি তই ক'ৰ পৰা আহিলি,
সেহাই ফোঁপাই কিয় দাবি হুকি মাৰিলি
চুলি মেলি চেংকলি বলিয়ানী নাচনী,
ঘূৰি ঘূৰি নাচ যেন হাতে লই বিচনী,
আণ্ডি ভুণ্ডি ছেও ধৰি লৰি আহি জাপৰী,
ফেৰ পাতি হালি জালি নাচ কিয় চাপৰি ?
প্ৰকৃতিৰ ঘৰ খনি খেলি মেলি কৰিলি,
নিৰীহ জনৰ কিয় সুখ শান্তি হৰিলি !
গছৰ সুৰৰ শোভা ফল ফুল সৰালি,
লুটিয়াই পাত বোৰ কিনো ভাল দেখিলি !
পথিকৰ চকু যুৰি ধুলি মাৰি পুতিলি,
গাৰ কপোৰ কো তই থান বান কৰিলি,
তিৰোতাৰ উৰুৱালি মূৰ ঢকা ওৰণী,
কাপোৰ চেলেং টানি হেৰুৱালি তৰণি ।
সৰুবৰ ভাল বেয়া হুবুজিলি অকণি,
সকলোকে কৰ দেখোঁ একেদৰে আমনি ।
বৰ প্ৰতাপেৰে যাৱ একোটিকে নগনি,
তয়ে যেন ভাণ্ডি পাতি আছ এই ধৰণী ।
বুজিবলৈ বাকী আছে নেজানি নে নমনি,
তোক দেখি ছুবৰীৰ হুঠে বুকু কঁপনি ।
বৰ কৰি বৰ তোক বিধাতাই নকৰি,
তোৰে ফেৰ মৰা কৰি সৰজিলে ছুবৰি ।

সীমা মাজে বন্ধা আছে সকলোৰে শকতি,
তাতে থাকি মাথোঁ। তই ভঙা পতা কৰোতী।
কিমান ডাঙৰ, দেখুৱালি নিজে জাপৰী,
এচুকত মৰি, ধৰা জুৰি লব নোৱাৰি।
সৰু বৰ ভাল বেয়া বিধে বিধে সামৰি,
বিধিয়ে ৰাখিছে যত আদৰেৰে আবৰি।
তাৰ পৰা আহি হৱ ডাৱৰৰ লগৰী,
তোকে পাই আহে মেঘ আকুলত বাগৰী।
জহ ঠেলি পৃথিবীৰ শীতলাৱ পোৰণি,
পানী ঢালি ফলে ফুলে ভৰাৱহি ধৰণী।
তই নাহিলেও হয় ধৰাখনি আহৰি,
ভালেতিহে যায় তোৰ অমুৰিকো পাহৰি।

ধনে ধানে গছে পাতে ধৰা কৰি ৰছকী,
ঘূৰি পকি ফুৰ তই তাকে পুনু গছকি।
কেতিয়াবা হৱ যদি খাই মুৰী নাশিনী,
পাতিৰ লাগিব ধৰা তোকে লই পাতলি।
এনেয়ে শকতি মহা দিয়া নাই পখিলি,
আনিবতো লাগে মেঘ খুন্দিয়াই বিজুলী।
ইচটা সিচটা আনি জুকিয়াই দিয়হি,
কোন সিপাৰৰ পৰা কাঢ়িয়াই নিয়হি।
তোৰ টনা আজোৰতে উঠে মেঘে গৰজি,
আকাশ পৃথিবী জুৰি মহাভয় সৰজি।

কবিৰ ঘৰৰ তই ভাল পোৱা আলহি,
জগতত বিধ বিধ ৰূপে দেখা দিয়হি।
গৰবী জনক আনি দেখুৱাহি বিজনি,
নৰৰ শকতি দেখোঁ অকনিকে নমনি।

যদিওবা বোলো তোক খাই মুৰী নাশিনী,
ধৰা ফুলনীৰ তই তথাপিও মালিনী।
যিহকেই কৰি তই ভাল পায় ধৰণী,
মই কিন্তু কদাপিও নাই পোৱা আমনি।
বুকু কঁপে যদি দেখি ভয়ঙ্কৰ মুৰুতি,
তথাপিও ভাল পাওঁ দেখি তোৰ শকতি।
আহি গই থাক তই বলিয়ানী নাচনী,
সেয়ে হব লাগে হেৰ পিশাচী বা যখিনী।
ভাল পাঁও তোক কৰি ভয় আৰু ভকতি,
বিধাতাই ৰথি তোৰ তই তাৰে সাৰথি।

ভাল পাওঁ

ভাল পাওঁ ভাল পাওঁ
মৰমতে পমি যাওঁ,
অতিকে শুৱনী মোৰ মাও
জননী জন্মভূমি,
তোমাৰ চৰণ চুমি,
হাতেৰে সৰগ চুকি পাও ;
আপোনকে দেখো যেনি চাও।

পৃথিবীত আৰু ঠাই,
আছে বুলি কোনোবাই,
কলেও নাজানো যেন মই,

সুখৰ সফুৰা মেলি
দুহাতেৰে আকোৱালি,
জনমৰ কত কথা কৈ,
জননীয়ে আছে কোলালৈ ।

জোন বেলি আকাশৰ,
হব পাৰে জগতৰ,
তথাপিও মনে পতিয়াই,
সেউজীয়া পথাৰৰ,
নদ নদী পাহাৰৰ,
পোহৰেৰে জেউতি চৰাই,
মোৰ যেন জননী সজায় ।

দুখত মেলিদি হাত,
সহায়ৰ মাতি মাত,
আকোৱালি ধৰে যেন গাত,
আশা নিৰাশাৰ মাজে
তোমাৰ মোহিনী সাজে,
হিয়া যেন কৰি দিয়ে শাঁত
সুৰদি শীতল সেই হাত ।

যাৰ গৌৰৱৰ কথা,
স্মৃতিৰ ফুলেৰে গঁথা
শুনি মন থৌকি বাথৌ,
মৰণ পাহৰি যাওঁ
সৰগ হাততে পাওঁ
এয়ে যেন জীৱনৰ মৌ,
হিয়া ভৰা আনন্দৰ ঢৌ ।

তোমাৰ কোলাৰ পৰা,
আঁতৰি পৰিলে ধৰা,
কতো যেন নিমিলিব সুখ ;
জঁই পৰি যায় মন,
জীৱনৰ পৰে চন,
নেদেখিলে জননীৰ মুখ,
হিয়াৰ মচিব কোনে দুখ ?

বিদেশৰ ৰাজসুখ,
জনতাৰ হাঁহি মুখ,
ৰূপ ৰস যিমানেই চৰে ;
মনে জানো পতিয়াই,
কত বাৰ ঘূৰি চাই,
উৰি যোৱা পতাকাৰ দৰে,
আগবাঢ়ে তথাপিও ঘূৰে ।

কিনো আছে মায়া জৰি,
কিহেৰে ৰাখিছে ধৰি,
কি যে ইটো ৰহস্যৰ খনি ;
কোনে কব কাৰ কথা
সকলো হিয়াত গঁথা,
এয়ে যেন স্যমন্তক মনি,
প্ৰকাশে হিয়াৰ সুৰ ধ্বনি ।

অমৃত বৰষা মাতে,
সৰগকে পাই হাতে,
তোমাৰ বুকুতে মোৰ আই ;

যিমানে আঁতৰি যাওঁ
সিমানে তোমাক পাওঁ
তুলনাৰ আনৰূপ নাই,
থাকিলেও জহি পমি যায়।

বুকুত মোহিনী ছবি
থাপি, তোমাৰেই কবি,
জনতাক আকোৱালি ধৰে ;
তোমাৰে মহিমা চাই,
ধৰণীকে বোলো আই,
উদাৰ মনৰ ভাব চৰে,
ধৰাত সৰগ আহি পৰে।

অনন্ত আকাশ তল,
পৃথিবীৰ কেন্দ্ৰ স্থল ;
মোৰ হকে মোৰেই জননী ;
বিকাশে ইয়াৰ পৰা
সুমধুৰ পূত ধৰা,
ধন্য কৰি বিশাল ধৰণী,
সুন্দৰৰ অখণ্ড কৰণী।

ভাব নাই ভাষা নাই
সকলোটি পমি যায়,
বৰ্ণ নাই মানি যায় হাৰ ;
পাৰে জানো কোনোবাই,
হিয়া দিব উদঙাই,
পাই জানো মহিমাৰ পাৰ,
জননীৰ গুঞ্জে কোনে ধাৰ।

লিখো বোলা কবিতাৰ
ছন্দৰ হেৰাই যাৰ,
কওঁ বোলা কথাটি হেৰাই ;
চাঁও বোলা চকুজুৰি,
আনন্দ লোতক জৰি ;
দেখিও নেদেখা হৈ যায়,
কল্পনাতো থাউনি নাপায়।

ভাল বেয়া যেয়ে কওক
যিমানে দুখীয়া হক,
তথাপিও মৰমৰ আই ;
জনমৰ মৰমৰ
দিব্য ভূমি মৰতৰ,
আৰু কতো পাবলৈ নাই,
ইয়াতে সৰগ সুখ পায়।

ইয়াত জনম লৈ
জীৱনৰ ব্ৰতী হৈ,
সুখ দুখ একোকে নামানি ;
তোমাৰ কোলাত আই,
পুনৰ আশাতি পাই,
পাৰো যেন এৰিব ধৰণী,
সেযে হব সুখৰ মেলানি।

———

ফিৰিঙটি

মই ফিৰিঙটি !

মহা অগণিৰ স্খলিত কণিকা
দুৰ্ব্বাৰ শক্তিশালী ;
ক্ষুদ্ৰ হলেও প্ৰলয় কালত
ৰুদ্ৰৰ মই পালি,
মই সৃষ্টি কৰো, ধ্বংস কৰোঁ
জগত উজ্জলাও,
মোৰ কণিকাৰে সূৰ্য্যক গঢ়ি
ময়েই ওলাই যাওঁ ।
মোৰ কিৰণৰ ৰশ্মি গলাই
স্বৰ্ণ কিৰণ গঢ়ো,
স্বৰ্গৰ ৰূপ জেউতি নমাই
মৰ্ত্ত্যক মহান কৰোঁ ।
মই বাগৰি জুগৰি জীৱ জগতত
প্ৰাণৰ বাতৰি দিওঁ,
কত দুখ দৈন্য তিক্ত জড়তা
সহজে উটাই নিও ।
হাতৰ পুতলা মানৱক মই
যোগাওঁ সূক্ষ্ম জ্ঞান,
তাৰেই প্ৰকাশি গুপুত শক্তি
গাই বিজয়ৰ গান ।
জগতৰ দিওঁ আন্ধাৰ গুছাই
সুৰুয বন্তি জ্বালি,

অলেখ দীপেৰে পোহৰ বোৱাও
নিশাৰ আন্ধাৰ ফালি।
দেখ্‌ দেৱতাৰ ৰূপটি সজাই
আহুতি গ্ৰহণ কৰো,
নৱ দেৱতাৰ পুত উপহাৰ
বিধিৰ আগত ধৰো।
জীৱৰ জীৱন পোহৰ তাপৰ
অংশ মাথোন মই,
ময়েই উফৰি ময়েই উজলি
সাধো জগতৰ জয়।
ফিৰিঙ্গটি মই!
মঙ্গল বিচাৰি ধ্বংস কৰিছো,
ধ্বংশেৰে আনি শান্তি ঢালিছো,
সেয়ে চিৰকাল উফৰি উফৰি
জগততে পাওঁ লয়;
তাতেই পুনৰ দেখাদি সাধিছো
বিধি বিধাতাৰ জয়।
অগ্নি হলেও অমৃত কণিকা
শিৱ সুন্দৰৰ দান,
আদি কাৰণৰ লগৰীয়া মই
বিশ্বৰ যোগাও প্ৰাণ।

———

ধুমুহা

আকাশ পৃথিৱী জুৰি
প্ৰলয় হুঙ্কাৰ চাৰি,
আহিছে ধুমুহা সোঁ গুজৰি গুমৰি ;
ধ্বংস কৰি প্ৰকৃতিৰ
সুন্দৰ সম্পদ ৰাজি
ভমকত চমকত ভাঙিছিঙি মুচৰি ।
দক্ষিণৰ পশ্চিমৰ
সাগৰ তলিত থকা
ৰাক্ষসীয়ে পাতালৰ গৰ্ভপাত কৰি,
ওলাই ঢাপলি মেলে
উজুটিত দাঁত ভাঙে
শান্তিময় জগতত মূৰেভৰি কাঢ়ি ।
কাউৰীৰ কণী যেন
কলীয়া আকাশখনি
বোকোচাত ভাৰ বৈ ডাৱৰেৰে আনি ;
দিওকি নিদিও কৈ
কোনোবা দেশত গৈ—
কলহৰ মুখে যেন ঢালি দিয়া পানী ।
এৰি ধৰি পাক মাৰি
মোহাৰি সামৰি ধৰি
জপিয়াই জপিয়াই বলিয়ানী জাপৰি
সেহাঁই ফোপাই যায়
দুহাতেৰে খেপিয়াই
ঘনে ঘনে মূৰ দাঙি পাক মাৰি চাপৰি
নীৰৱতা ভঙ্গ কৰি
শান্তিময় ধৰাখনি
ক্ষন্তেকতে অশান্তিৰে কৰি ভৰপূৰ,

আহে যেন তাহানীৰ
কোনোবা বিজয়ী বীৰ
শক্তিহীন জনতাক কৰি মষিমূৰ।
বুৰঞ্জীৰ পাতে পাতে
কলঙ্ক কালিমা আনে
বিজয় তিলক পিন্ধা দানৱ কীৰ্ত্তিৰ,
পৃথিবীৰ ইতিহাসে
যুগ যুগান্তৰ ধৰি
পৰিহাস কৰে চাই ঘৃণাৰ চকুৰে।
সৰুৱে কাষেদি সাৰে
বৰে ফেৰ পাতি ধৰে
বনৰ সম্পদৰাজি আউলী বাউলী।
বিৰিখৰ পাত ফুল
কপণিত বিয়াকুল
ধলি ধলি সৰি সৰি পৰিল পৰালি।
চকিত হৰিণা লৰে
পখীয়েও বাহ এৰে
পৃথিবীৰ নৰনাৰী ভয়ত ব্যাকুল,
জলে থলে খলকণি
বিপদৰ উঠে ধ্বনি
ওফন্দি বাগৰি ভাঙে তটিনীয়ে কুল।
অহঙ্কাৰী কাপুৰুষে
ভয় কৰি যেনেদৰে
সবলৰ ওচৰত হাৰ মানি যায়,
দুৰ্ব্বলীক দেখা পালে
শকতিৰে ফেৰ পাতে
তাৰ সম জগতত আৰু যেন নাই।

তুখীয়াৰ ভগা পজা
তেজ মঙহেৰে গঢ়া
ভাঙি চিঙি দেখুৱাই শকতি নিজৰ,
শোষণৰ ফলে গঢ়া
ধনীৰ কাৰেং চ'ৰা
ফেৰমাৰি ৰয় যেন পাহাৰ শিলৰ।
দিঠকতে স্বপ্ন দেখা
কল্পনাৰ ৰূপ ৰেখা
খেদি খেদি আগবাঢ়ি ভাগৰুৱা কবি,
হঠাতে থমকি ৰয়
মানি যেন পৰাজয়
মুমুৰ্ষু জীৱন বস্তি গতিহীন ছবি।
বিশাল সৃষ্টিৰ স্থিতি
সামান্য বায়ুৰ গতি
দেখাত পৱন কিন্তু নীতিত অধীন,
পৰাজিত বীৰ প্ৰায়
ক্ষন্তেকতে মাৰ যায়
শান্তিময় প্ৰকৃতিত শক্তিৰ বিলীন।
সৃষ্টিৰ মায়াত পৰি
সিও যায় জহি পমি,
ক্ষন্তেকৰ বিভিষীকা শান্তিৰ নিজৰা,
সম্পদে বিপদ আনে
বিপদে সম্পদ মাতে
সংসাৰৰ উঠানামা আন্ধাৰে পোহৰে,
অমৃতত বিষ উঠে
বিষতো অমৃত জৰে
সৃষ্টিৰ মায়াপী ৰীতি চলে এই দৰে।

ইতিহাসে কৰে পৰিহাস

মানুহৰ ইতিহাস মানুহে লিখিলে,
দুখ সুখ আনন্দৰ সকলো সম্বল,
মানুহে গোটাই আনি ইতিহাস গঢ়ি
পথৰ সাৰথি দিলে জীৱন যুদ্ধৰ।
মানুহৰ ৰীতি নীতি উঠন পতন,
অতীতৰ দাপোণত আকিলে কবিয়ে
অনাগত ভৱিষ্যক কৰি সাৱধান;
কৰ্ম্মৰ সোঁতত পৰি বিপদ বিঘিনি,
দেখুৱালে স্বভাৱতে কেনি বৈ যায়।
জীৱনৰ আদি অন্ত মানুহে পাহৰি
বুৰঞ্জীৰ পথ এৰি কেনিবাদি যায়,
ব্যক্তি কিম্বা সমাজৰ সেইহে আজিও,
শান্তিৰ সুগম পথ অলিক সপোন,
পৃথিৱীত নৰমেধ যজ্ঞ কত হ'ল,
মানুহে নাজানে জানো তাৰ বিবৰণ
তথাপিও আজি জানো মানুহে এৰিছে,
মানৱৰ পশুবৃত্তি যুদ্ধ বাগৰৰ।
কুৰুক্ষেত্ৰ পানীপথ বিষাদৰ ছবি
দেখিও মানুহে জানো ভাবিছে এবাৰ,
অস্ত্ৰপাণি পৃথিৱীৰ তিক্ত পৰিণাম।
যিমনে শুনিছে বাণী মহাপুৰুষৰ,
সিমানে চৰিছে যেন নিচতা ভিৰুতা
স্বাৰ্থৰ সপোন দেখি সাৱতে মৰণ।

ত্যাগৰ মহিমাৰূপে মহান পুৰুষে,
কত যুগ যুগান্তৰ জ্ঞানৰ কণিকা,
সিচি আছে মানুহৰ অন্তৰে অন্তৰে,
তথাপিও কিয় বাৰু বলিয়া মানুহে,
বস্তিত চগাৰ দৰে মৰণ বিচাৰে,
সৃষ্টিৰ স্বভাৱ এয়ে নহলেনো বাৰু,
আজিও মানুহ কিয় মানুহ নহল।
একতাৰ শান্তিপথ পৰিহাৰ কৰি,
পুনৰ দাসত্ব যেন কৰিব বৰণ,
সেয়ে যেন সুখ শান্তি নৰ জনমৰ।
কিয়বাৰু বুৰঞ্জীৰ সত্যক সুমৰি,
মানুহে নিজৰ শান্তি বিচাৰি নাপায়,
উন্নতিত আগবঢ়া মানুহ জাতিয়ে,
প্ৰকৃতিক জয় কৰে নিজৰ বুদ্ধিৰে,
কিন্তু ই যে সত্য কথা বিধিৰ বিধান,
মানুহক পৰাজয় মানুহেই কৰে।
মানুহৰ ইতিহাস মানুহে লিখিলে,
জয় পৰাজয় কত মানুহে দেখিলে,
শান্তিৰ সফুৰা কত তাকো দেখা পালে,
তথাপিও স্বাৰ্থভৰা অসীম হেপাহ,
মানুহতে মানুহৰ ধ্বংশৰ প্ৰকাশ,
সেয়ে আজি ইতিহাসে কৰে পৰিহাস।

শ্ৰীমন্ত শঙ্কৰ

অসমৰ পিতৃ গুৰু শ্ৰীমন্ত শঙ্কৰ
জ্ঞান ধৰ্ম্ম কাব্য ফুলনিৰ মধুকৰ ;
ভাৰতৰ সনাতন পবিত্ৰ জ্যোতিৰ,
জেউতি বঢ়াই তুমি পূৰ্ব্ব ধৰিত্ৰীৰ,
মধু চক্ৰ বিৰচিলা অপূৰ্ব্ব সুন্দৰ ।

ভকতিৰ মধুৰস, তাৰেই তিয়াই ;
সোনোৱালী এনাজৰী নজহা নপমা,
হিয়াই হিয়াই গাঁথি একেটি ভাবেৰে,
বান্ধি থলা হে' মহাপুৰুষ শঙ্কৰ ।

অমিলত প্ৰচাৰিলা বাণী মিলনৰ,
ধৰ্ম্মৰ বান্ধিলা ভেটি সবাকে সামৰি ;
ভগৱন্ত প্ৰতিষ্ঠিত হৃদয়ে হৃদয়ে,
সকলো সেবাৰ থালি, নাই সৰু বৰ,
ভক্তিৰ ফুলেৰে আৰু সুমধুৰ নামে,
একেজন ঈশ্বৰকে পূজে সকলোৱে ।

বিধাতাৰ ওচৰত মানুহৰ ভেদাভেদ,
আঁতৰাই কত শাস্ত্ৰ কৰিলা প্ৰচাৰ,
তাৰেই বিচিত্ৰ ৰূপ সাহিত্য শিল্পৰ,
বোৱালা মধুৰ সোঁত প্ৰেম অমৃতৰ ।
জানিবা নাজানি কিম্বা মানিবা নামানি,
তাৰেই সুন্দৰ জ্যোতি আকোৱালি ধৰি,
জাতিৰ গৌৰৱ আমি কৰিছোঁ প্ৰচাৰ ।

ভাৰতৰ সনাতন ধৰ্ম্ম ৰক্ষা কৰি,
সকলোকে সমভাবে আকোৱালি ধৰি,
পৰক নকৰি নিন্দা নিজে থিৰে থাকি,
প্ৰাচীনত নতুনৰ সৰল ৰহণে,
প্ৰচাৰিলা ভক্তিমাৰ্গ পৰ্ব্বতে ভৈয়ামে,
তাৰে জ্যোতি অসমৰ সাহিত্য সম্ভাৰ,
অভিনৱ সমাজৰ গাঁথনি মহান।

তালে খোলে গীতে পদে আচাৰে নীতিয়ে,
অসমৰ ঘৰে ঘৰে তুমি বিদ্যমান ;
সূৰ্য্যৰ পোহৰে ব্যাপে সমস্ত জগত,
জ্যোতিৰ মহিমা বেছি সূক্ষত কৰি,
যিদৰে মহিমা দেব তোমাৰ প্ৰকাশ
তাৰেই সঁফুৰা মাত্ৰ তুমিহে শঙ্কৰ।

সোণামুৱা

ৰাঙ্গনী বেলিৰ সোণালী ৰহনে
পছিমৰ দিশ ৰাঙলী কৰে,
সাদৰী ধৰাক মেলানি পৰত
সোণালী বেলিয়ে সাবটি ধৰে।

গছে পাতে ভৰা জাপৰি চাপৰি
গধূলীৰ ধূলিৰে লাহতী হৈ,
আদৰি আনিছে ঘৰলৈ লখিমী
বাল গোপালক লগৰী লৈ।

উজুলি মুজুলি সোণাৰ পদূলি
দিন-সামৰণ নিশাৰ আগ,
নাতিনী আহিছে গৰুৰ জাকেৰে
পো-হঁতে আনে মাছৰ ভাগ।

সোণাৰ জীৰিকা মাছ মাৰি খোৱা
লখিমীৰ বাস চোতাল ঘৰ,
নানা ফল ফুলে ভৰা গছনিৰে
সোণামুৱা তাত মানুহ বৰ।

চিকুন বাৰীৰে নিপুণ গিৰীক
দেখি, সন্ধিয়াৰ অতিথিজন,
অচিন হলেও তাতেই সোমাই
ৰাতি কটাবৰ কৰিলে মন।

সোণাই দেখিলে চোতালত আহি
অচিন অতিথি দিলেহি দেখা,
চালে চকুৰোৱা শুৱনী শৰীৰ
চকুত মুখত জ্যোতিৰ ৰেখা।

ৰাতিৰ কাৰণে আশ্ৰয় বিচাৰি
আহিছো পথিক দূৰৰ জন,
দিলে পৰি থাকো এডুখৰি ঠাই
আৰু একোলৈকে নকৰো মন।

অতিথিৰ দেখি মুখ তেজ গোৰা
সোণাৰো উঠিল উজলি মুখ,
হাত যোৰ কৰি ক'লে অতিথিক
আজি মিলে মোৰ পৰম সুখ।

এনে জনে আহি আশ্রয় বিচাৰি
ধন্য কৰিছে কুটীৰ মোৰ,
তাতেই আকৌ গধূলি আলহি
ভাগ্যৰ আজি নপৰে ওৰ।

মাছ মৰা মোৰ জীৱিকা যদিও
দুখীয়া গৃহস্থ তথাপি মই,
প্ৰাণপণ কৰি অতিথি সুধিম
যেনেদৰে পাৰো নকৰো ভয়।

ডেকাই বুলিলে চিনাকি নলৈ
সোধে জানো লোকে অতিথি জন,
কিজানি অচিন মানুহ ৰাখিলে
বিপদে কৰিব সকলো ছন।

অতিথিক মাথো অতিথি ৰাখিম
মানুহ বুলিতো নাভাবো মই,
সেয়ে যদি ঘোৰ বিপদ সুচায়
হ'ক তাতে মোৰ সকলো লয়।

এইদৰে কৈ সোণামুৱা নিজে
পো-নাতি লৈ ৰঙেৰে আহি,
দেৱতাৰ দৰে আৰাধি অতিথি
ফুলালে সুখৰ পদুম পাহি।

পুৱেকণ দিলে সোণালী সুকবে
পৃথিবীত ঢালি কামৰ ৰাগী,
গৃহীৰ গুৱনী অতিথি ওলাল
গৃহস্থ জনক মেলানি মাগি।

গদাপাণি আছি এদিন এৰাতি
সোণাৰ ঘৰত অতিথি হ'ল,
চোৰাংচোৱাৰ এই বাতৰিটি
ৰাজকাৰেঙত সদৰি হ'ল।

শুনি ততালিকে টেকেলা পঠাই
ৰজাই নিয়ালে সোণাক ধৰি,
নেজানে বেচেৰা কিয় ধৰি নিয়ে
দুখত চকুলো পৰিল জৰি।

ৰজাই সুধিলে গদা কোঁৱৰক
কি কাৰণে তই আশ্ৰয় দিলি ?
নেজাননে সিটো ৰাজদ্ৰোহী বুলি
সাপক সুমাই ঘৰলৈ নিলি।

নিৰীহ বেচেৰা সোনামুৱা উঠি
হাত যুৰি কলে ৰজাক চাই,
একোকে নাজানো গদাৰ বাতৰি
তেনে কথা মোৰ মনতে নাই।

নিচিনো বন্দীয়ে গদা কোঁৱৰক
নাজানো কোঁৱৰ ৰজাৰ অৰি,
হোৱা হলে মই নিদিও নিশ্চয়
আশ্ৰয় দ্ৰোহীক আদৰ কৰি।

শুনিছো মাথোন প্ৰাণৰ ভয়ত
অনাই বনাই ঘূৰিছে গদা,
ৰজাৰ বিদ্ৰোহী নহয় কদাপি
প্ৰাণৰ ভয়ত ফুৰিছে সদা।

চিনিলোহেঁতেন যদিও তথাপি
ধৰম থিয়াই লাগিব দিব,
নিৰ্দ্দোষী জনে আশ্ৰয় মাগিলে
সকলো ধৰমে সামৰি লব।

ৰজাৰ শান্তি প্ৰজাৰ মঙ্গল
দ্ৰোহীক নেলাগে আশ্ৰয় দিব,
কোন নীতি মানি নিদিব আশ্ৰয়
গদাক বিদ্ৰোহী কোনেনো কব?

বিদ্ৰোহী নহয় গদাপাণি বীৰ,
অঙ্গক্ষতত নিদিয়ে ধৰা,
ভাবোতে ৰজাৰ বুকু কঁপি গ'ল
শুনি সঁচা কথা বুঢ়াৰ পৰা।

বুজিও সুবুজি আদেশ কৰিলে
সোনাক ৰাখিলে বন্দী কৰি,
গদাক পালেহে সোনাকো এৰিব
আজীৱন তাকে ৰাখিব ধৰি।

ৰাজ অত্যাচাৰ অন্যায় অনীতি
অসম দেশত পৰিল ভৰি,
উজনি নামনি জিকাৰি উঠিল
গল অসন্তোষ প্ৰচাৰ চৰি।

বিদ্ৰোহৰ বাণে উটাই পেলালে
ল'ৰা ৰজা তাত উপণ্ডি গ'ল,
গদাপাণি আহি ললে সিংহাসন
অন্যায় অশান্তি আঁতৰ হ'ল।

ন্যায় বিচাৰত   শাস্তি বিহিলে
দ্ৰোহীক, চলিত বিধান মানি,
সবল ধাৰ্ম্মিক   গৃহস্থ সোণাক
মুক্ত কৰিলে নিৰ্দ্দোষী জানি।

অতিথি সেৱক   আদৰৰ প্ৰজা
মাটিবাৰী দিলে মৰম কৰি,
চাপৰিত ঘৰ   চাপৰিৰ নাম
সোণামুৰা হ'ল সিদিন ধৰি।

সৰু নৈ খনি   কুলু কুলু কৰি
বৈ আছে আজি দাঁতিত তাৰ,
জনা জনে জানে   পুৰণি কাহিনী
সোণামুৰা নাম আছিল কাৰ।*

---

* যোৰহাট নগৰৰ পৰা ১৩ মাইল উজনিত চেউনি আলি পাৰ হৈ যোৱা এখনি সৰু নৈ টীয়ক। ইয়াৰ পাৰতে চেউনি আলিৰ দুয়ো কাষে থকা চাপৰিৰ নাম সোণামুৰা চাপৰি আছিল বুলি আগৰ বয়সীয়াল সকলৰ মুখৰপৰা শুনা কথা। কবিতাত বৰ্ণনা কৰা কথাটোত কিম্বদন্তি সোণামুৰা নামৰ গৃহস্থজনৰ নামৰ পৰাই বোলে সোণামুৰা চাপৰি।

আনন্দৰাম

মৰতৰ পূৰ্ণিমাই
সকলো বিভৱ লৈ,
সবিতাক আঁতৰাই
যেতিয়া দিলেহি দেখা
আকুলি জগত,

সকলোকে পাহৰাই
উটি যোৱা দুখ সুখ,
চন্দ্ৰমাৰ দেখি ৰূপ
ব্যাকুল আবেগ কিবা
মহান ভাবত ।

প্ৰাগ জ্যোতিষৰ সেই
অতুল গৌৰৱ ৰাশি,
নজনা কালৰ পৰা
চলি থকা একেদৰে
উজ্জ্বলি দুগুণে,

বুলালে ছুনাই আহি
কোমল আঙুলি কিটি
সপ্তম সুৰত তুলি
বীণাৰ গভীৰ ধ্বনি,
সবলে যতনে ।

ভাৰত ভুলাই সিটি
আনন্দৰ আকৰ্ষণে
টানিলে জ্ঞানৰ খনি
কামৰূপ লক্ষ্য কৰি
আকৌ এবাৰ।

আহিল সকলো চাপি
পুথি পাঁজি বান্ধিথৈ
জ্ঞানৰ কণিকা লই
পূৰ্ণাহুতি চাব বুলি
আনন্দ হোতাৰ।

হে আনন্দ
জননীৰ হেঁপাহৰ
অসমৰ আদৰৰ
ভাৰতৰ অন্তৰৰ
বিমল আনন্দ ;

যেতিয়া তোমাৰ সেই
গম্ভীৰ মুখৰ পৰা
মিচিকীয়া হাঁহি এটি
পৰিল ধৰাত সৰি
অযাচিত দান ;

সেই যে মহেন্দ্ৰক্ষণ
যদিও নিচেই ক্ষীণ,
কদাপি নহয় হীন
মঙ্গলৰ আগদূত
শান্তিৰ সোপান।

সোণৰ কলচী ওখ
নীলাচল পৰ্ব্বতৰ
আৰু যেন ওখ হ'ল
নয়ন সাৰ্থক কৰি
দূৰ পথিকৰ ।

উজ্জলিল আৰু বাৰ
অসমৰ দুৱাৰত
পৰ্ব্বতৰ ওখ টিং
শুভ্ৰ শিৰ পোহৰাই
ভুৱনেশ্বৰৰ ।

বৰ নৈ খনে যেন
গৌৰৱত ফুলি ফুলি
গম্ভীৰ চঞ্চল খেলি
আনন্দ বাতৰা লৈ
অসমৰ মাজে ;

কিবা এটি শুভবাৰ্ত্তা
প্ৰচাৰিত কৰো বুলি,
গৌৰৱৰ ঢৌ তুলি
আকুল আবেগে বৈ
অপাৰ্থিব সাজে ।

নতুন পতাকাখনি
দেশমন ৰাষ্ট্ৰ কৰি
আনন্দক নেতা কৰি
উঠিল ইয়াত পুনু
শুক্ল ধ্বজা তুলি ।

পাছে পাছে ললে বাট
পতাকাৰ লক্ষ্য কৰি
অসীম সাহস ধৰি
দেশ বিদেশৰ পিনে
জয় জয় বুলি।

মহাপ্ৰাণ দেৱ তুমি
বাণীৰ নন্দন কবি,
অসম গৌৰৱ ৰবি
জাতীয় ভঁৰাল জুৰি
বিধতাৰ দান,

আজিওতো ঘৰে ঘৰে
সেই চবি মনোহৰ
আছে জ্বলি অসমৰ
সেৱকৰ প্ৰাণে প্ৰাণে
স্বৰগৰ টান।

স্মৃৰিতিৰ মহাবাণী
আকুল কাণত পশি
সোঁৱৰায় জ্ঞান ৰাশি
পোহৰায় মৰ্ম্মস্থলি
বিচিত্ৰ বিধান।

প্ৰাণত জগাই তোলে
পাহৰা সুৰৰ টান,
আনন্দৰ মহাদান
পূৰ্ব্ব গৌৰৱৰ কিবা
আকুল সন্ধান।

হিমালয় মহাগিৰি
উচ্চাসন শোভা কৰি
বাণীৰ চৰণ ধৰি
কত পুত্ৰ ভাৰতৰ
আছে থিৰে চাই,

ভাৰতীৰ আদেশত
জ্ঞানৰ কণিকা সিঁচি
আন্ধাৰৰ ধোৱা বিহি
সহস্ৰ যুগতে আছে
আগভুৰি নাই।

— × —

বাহাদুৰ গাঁওবঢ়াৰ কবৰ

কালৰ চকৰী ঘূৰি পাৰ কৰি দিলে
পৃথিৱীৰ এশটি বছৰ,
তেতিয়াৰ নিৰ্জ্জনতা আজি আৰু নাই
জনাকীৰ্ণ নতুন নগৰ।

পুৰণিৰ চিনচাব কেনিবাদি গল
আছে এটি শুকুলা কবৰ
ওচৰত নাই সেই ৰজাৰ নগৰ
ভক্ত প্ৰজা যাৰ বাহাদুৰ।

দুনীয়াৰ মালিকক জানিছিল তেওঁ
জানিছিল জাতিক নিজৰ

জানিছিল স্বজাতিৰ আৰাধ্য নৃপতি
শাস্তিদাতা দেশ জননীৰ ;

বিদায় জনাই যেন সন্ধিয়াৰ বেলি
ৰশ্মি আগ সমাধিত ঢালি,
পথিকক দেখুৱাই এয়ে সেই স্থান
সমাহিত যত বাহাদুৰ।

মহান হৃদয় যাৰ পবিত্ৰতা ভৰা
তেওঁৰে সমাধি তীৰ্থ স্থান,
বাহাদুৰ গাঁওবুঢ়া অসম সন্তান
গৌৰবৰ প্ৰতীক মহান ;

দেশ জননীৰ প্ৰেম হৃদয়ত থাপি
বাহাদুৰে দিলে দেখুৱাই,
স্বাধীনতা জন্মভূমি নৃপতি নিজৰ
তাৰ বাজে আৰু যেন নাই,

ক্ষন্তেক অপেক্ষা কৰি পথিকে দেখিলে
বাহাদুৰ গাওঁবুঢ়া মানস চকুৰে,
শান্তশিষ্ট ৰাজভক্ত অসম সন্তান
সুঁৱৰিছে যাক নতশিৰে।

কবৰৰ ওপৰত অনেক কবৰ
সমাধিৰ কতো অন্ত নাই,
বাহিৰত লিখাদৰে অন্তৰেৰে কত
গৌৰৱৰ আছে গীত গাই।

—x—

অ' ৰূপহী তোমাৰ কিমান দূৰত ঘৰ

অ ৰূপহী তোমাৰ কিমান দূৰত ঘৰ ?
মেঘে গৰজিছে সন্ধিয়া নামিছে
আন্ধাৰে ঢাকিছে ধৰা,
সুনীল সাৰদা আকাশত আজি
লুকাল চন্দ্ৰ তৰা ।
আজলা নহয় কোবাল বিজুলা
মেলিব নোৱাৰি চকু
চমকত তাৰ ভমকত কঁপে
কত পথিকৰ বুকু ।
বলিয়া বতাহে কলিয়া মেঘৰ
পথৰ সাৰথি হই,
ৰূপহী তোমাৰ ৰিহাৰ আচল
টানিছে নজনাকই ।
বিজুলীত তুমি জিলিকি উঠিছা
আন্ধাৰে আকৌ ঢাকে,
এইদৰে তুমি যাবা কতদূৰ
কোনেনো তোমাক মাতে ।
সেই জুৰিটিৰ পাৰতে যে আছে
বুঢ়া বৰ গছ ডালি,
তাতে হেনো থাকে বুঢ়া ডাঙৰীয়া
তললৈ ভৰিটি মেলি ।
সন্ধিয়া নামিলে সেইবাটেদিনি
যাওঁতা কোনোটি নাই,

কি সাহেনো যোৱা ৰূপহী সিফালে
কিহৰ সহাৰি পায়।

দেওৱে বোলে তাত মেকুৰীটি হৈ
ভৰিৰ তলেদি যায়,
কোমোৰাটি হৈ বাগৰি বাগৰি
পথিকৰ ধাতু চায়।

তাতোকৈ চাৰ মানুহৰ ভয়,
মানুহে নোৱাৰা নাই,
ধুনীয়া জগত মানুহেই পাতে
ভাঙেও মানুহে পাই।

তথাপিতো তুমি যাবই লাগিব
চেনেহ জৰীয়ে টানে,
সেয়েহে ৰাখিছে ধুনীয়া জগত
মানুহেই তাক জানে।

বিলাসৰ নোহে অভিসাৰ ইটো
এই বিপদৰ ৰাতি,
চকিত হৰিণী আউলী বাউলী
আছে কোনোবাই মাতি

তোমাৰ প্ৰিয়াৰো প্ৰিয় সেইজন
কিবা বিপদত পৰি,
মাতিছে তোমাক সেইহে আহিছা
জীৱনকে আগকৰি।

নতুবা তোমাৰ পোনাটি হেৰাল
যিটি মৰমৰ খনি,
বিচাৰি ফুৰিছা চেনেহী জননী
তোমাৰ চকুৰ মণি।

পোনাটিৰে তুমি নহয় জননী
জগত জননী তুমি,
ধৰিত্ৰিক ৰাখি আছা এইদৰে
ধৰা মানৱৰ ভূমি।

তোমাৰ প্ৰিয়ৰে মাথোন অকল
নোহোৱা গুৱনী প্ৰিয়া,
মৰতৰ তুমি মায়াৰ নিজৰা
জুৰিছা সবাৰে হিয়া।

প্ৰকৃতিৰ ভয়ে নোৱাৰে ৰাখিব
দেৱতাই নাৰাখে ধৰি,
মানুহে মানুহৰ বিপদ চপাব
চেনেহৰ চিঙিলে জৰী।

চেনেহৰ সোঁতে বৰষা উটাব
বিজুলীয়ে দিব মালা,
গাজনীয়ে হব বিজয়ৰ ধ্বনি
বায়ু সুগন্ধৰ ডলা।

অমানুহে এৰি দিব মানুহক
ধৰাৰ সুগম পথ,
ইদৰে চলাই আছে বিধতাই
বিশ্ব বিজয়ী ৰথ।

প্ৰেম এনাজৰী বিশ্ব নিয়ন্তাৰ
প্ৰেমেৰে গাথিছে ধৰা,
প্ৰেমেৰে সাজিছে তোমাকো ৰূপহী
বুকুত মৰমে ভৰা।

বিশ্ব বিজয়ী প্ৰেমৰ আগত
সকলো পৰিব জই,

যোৱা আগবাঢ়ি ৰূপহী জননী
জগততে নাই ভয়।
তোমাৰ বুকুৰ মৰমে সিঁচিব
পবিত্ৰ শান্তি কৰি,
উজলি উঠিব ধুনীয়া পৃথিৱী
ৰূপৰ জেউতি চৰি।

—

প্ৰকৃতি বিজয়

জগতৰ লীলাভূমি
সৰজি সিদিনা বিধি,
মানৱ প্ৰকৃতি দুটি কৰিলে মিলন ;
স্ৰষ্টাৰ মধুৰ সৃষ্টি -
পূৰ্ণতাৰ আৰম্ভন,
জগতৰ সেইদিনা নৱ জাগৰণ।

প্ৰকৃতিৰ কোচভৰা
বিচিত্ৰ সম্ভাৰ ৰাজি
প্ৰকাশিলে ধৰণীৰ সৌন্দৰ্য্য চৰাই,
দিব্যজ্ঞান লাভ কৰি মানৱ সন্তানে
আগবঢ়া জগতক নিলে আগুৱাই

অনন্ত ৰহস্য ভৰা
তথ্যাপূৰ্ণ বসুন্ধৰা,

বাজীকৰ বিধাতাৰ
　　দুৰ্ব্বোধ্য সাধৰ ;
সৌন্দৰ্য্যৰ ৰহঘৰা সত্যৰ সঁফুৰা
মানৱৰ কৰ্ম্মস্থল নিজৰা ৰসৰ ।

আধা ফুলা আধা মেলা
　　প্ৰকৃতিৰ লীলা খেলা,
পূৰ্ণতাৰ পয়োভৰ নৰৰ হাতত,
ধৰণীৰ দিব্যজ্যোতি প্ৰকৃতি মানৱ দুটি,
গৈ আছে আগুৱাই যুগৰ বাটত ।

স্থান কাল প্ৰভেদক
　　পৰাজিত কৰি
অধে ঊৰ্দ্ধে, অন্তৰীক্ষে
　　মানৱৰ গতি
স্তৰে স্তৰে প্ৰকৃতিৰ অণু পৰমাণু,
যুগে যুগে জগতৰ বঢ়াই শকতি ।

প্ৰকৃতি খোপাৰ ফুল
　　বিজুলীক ধৰি,
দাসীৰূপে জগতৰ
　　জেউতী চৰাই ;
সুমেৰু কুমেৰু জিনে হিমাদ্ৰিৰ গৰ্ব্ব নাশে
ৰত্নাকৰে ৰত্নৰাজী দিলে উদঙাই ।

অলঙ্ঘ্য অপাৰ সিন্ধু
　　দুৰ্ভেদ্য শিখৰ,
নদ নদী মৰুভূমি
　　বিশাল প্ৰান্তৰ ;

মানৱৰ হাতে গঢ়া ফুলনীৰ দৰে ;
সৃষ্টিৰ সৌন্দৰ্য্য বাজি কৰিছে বিস্তাৰ ।

বজ্ৰই মানিছে হাৰ
মেঘে কৰে হাহাকাৰ
মানৱৰ অধীনত
সূৰ্য্যৰ কিৰণ ;
পবনৰ গতিৰোধ, ঋতুৰ ৰহস্যভেদ,
অকালত বসন্তৰ শুভ আগমন ।

পৃথিবীৰ গৰ্ভচিৰি
অমূল্য সম্পদ আনি
জগতৰ মহিমাৰ
গৌৰৱ চৰাই,
যুগে যুগে প্ৰকৃতিৰ পদে পদে পৰাজয়,
মায়াৰে আবৰা ঢৰা নাথাকে লুকাই

দেশভক্ত

জাতীয় যুঁজৰ অৰুণ স্বৰূপে
তৰুণে যিদিনা বাঢ়িলে আগ,
জননী অসমে সিদিনা পালে
মহান জাতিৰ যুঁজৰ ভাগ ।

হিমাচল ধৰি কুমাৰীকা জিনি
উঠিল ভক্ত লক্ষ লক্ষ,

কত শতিকাৰ পিছত উজলি
জেউতি চৰালে ভাৰত বক্ষ।

পশ্চিমে পূবে উত্তৰে দক্ষিণে
উঠে দিগপাল জাতীয় বীৰ,
অহিংস যুজৰ উঠিল সেনানী
নিৰ্ভীক, সাহসী, কৰ্ম্মী ধীৰ।

জেউতি চৰাই মাতৃ মুখৰ
পূবৰ অৰুণ তৰুণ হৈ,
সুন্দৰ সুঠাম পুৰুষ সিংহ
ওলাল জাতীয় পতাকা লৈ।

আগত চন্দ্ৰ, নবীন তৰুণ
পাছত অসম যুৱক দল,
পালে জননীয়ে বীৰ সন্তানৰ
পুৰণি কালৰ হেৰোৱা বল।

তৰুণৰ জয় তৰুণেই ঘোষি
তৰুণৰ দিলে হিয়াত শান্তি,
সত্য পথৰ অহিংস কৰ্ম্মী
উজলি উঠিল মুখৰ কান্তি।

দেশৰ ভক্ত তৰুণ ফুকন
অসম বাসীৰ বুকুৰ ধন ;
জনম লভিলে জননী কোলাত
একেটি দেহাত শতেক জন।

এৰি সুখ ভোগ ৰজাৰ তুল্য
ত্যাগত দীপ্ত অসম বীৰ,
তৰুণৰ সোঁত বোৱাই তৰুণে
উচ্চ কৰিলে জননী শিৰ।

ভীম পৰাক্ৰমী নিৰ্ভীক আত্মা
সত্য পথৰ পথিক বীৰ,
পিঠিৰে নহয় বুকু পাতি লয়
শাণিত হলেও, শত্ৰু তীৰ।

ৰাজনীতি জ্ঞানী সুদূৰদৰ্শী
সুপণ্ডিত নেতা জাতিৰ প্ৰাণ,
কৰ্ত্তব্য পথৰ মহৎ যাত্ৰী
তুচ্ছ স্বাৰ্থ তুচ্ছ মান।

বাগ্মীপ্ৰবৰ কণ্ঠত যেন
থাকে বহি সদা জননী বাণী,
সহস্ৰ দেশ সেৱকক নিজে
জাতীয় যুজত অভয় দানি।

শত্ৰুৰ মানত মহৎ শত্ৰু
নিজ জনতাৰ বুকুৰ মনি,
সবাৰে আপোন সবাৰে বন্ধু
ভেদাভেদ নাই দুখীয়া ধনী।

মাথো অসমৰ নহয় ফুকন
ভাৰতবাসীৰ আপোন জন,
তৰুণৰ দৰে বীৰ নায়কৰ
আপোন গোটেই পৃথিবীখন।

যতদিন ৰ'ব চন্দ্ৰ সূৰ্য্য
তত্দিন ৰ'ব ভাৰতবৰ্ষ
তৰুণৰ নাম অৰুণৰ দৰে
জিলিকি চৰাব অসম গৰ্ব্ব ।

কোৱা শৰাই ঘাট !

কোৱা শৰাই ঘাট !
চাপিছো তোমাৰ কাষ,
শুনিবৰ মানসেৰে, মোৰ এই জন্মভূমি
অসমৰ গৌৰৱ কাহিনী ।
শুনি সেই ইতিহাস, উঠক পুনৰ জাগি
অসমৰ যুৱক যুৱতী,
পূজাৰ সম্ভাৰ লৈ
জন্মভূমি অসম মাতৃৰ ।

কোৱা শৰাই ঘাট ! তোমাৰ মুখেৰে শুনো,
মানুহৰ ইতিহাস ;
তোমাৰ পৰাই বুজো
বিধাতাৰ পৰিহাস,
জননীৰ শান্তিপূৰ্ণ বহল বুকুত
জিৰোৱাৰ অভিলাষ,
দিনে দিনে কেনেকৈ গৈছে আঁতৰি ।

তোমাৰ বুকুতে পিন্ধা
গৌৰৱৰ জয়মালা ;

কিয় বাক লেবেলি গুকায়!
কোৱা শৰাইঘাট! মানুহৰ কিহত প্ৰকাশ!
মানুহেই কিয়বাক নকৰে বিকাশ,
অন্তৰত ভৰি থকা শক্তিৰ সঁফুৰা;
হেকৰাই কিয় বাক এলাহ ভাগৰে
মানুহৰ সহজাত শক্তিৰ প্ৰয়াস।

লুইতৰ পাৰে পাৰে, পৰ্ব্বতৰ কাষে কাষে,
পৰি আছা যুগ যুগ মূৰ্ত্তিমান ইতিহাস ৰূপে,
তুমি সোঁৱৰাই দিলে সুঁৱৰিব সকলোৱে,
শক্তিৰ গৌৰৱে ভৰা মোৰ এই অসম জননী।

কোৱা শৰাইঘাট!
ভগদত্ত নৃপতিৰ সহস্ৰ হস্তীৰ যুথে,
তোমাৰেই বুকুৰেদি গহীন খোজেৰে গৈ,
লুইতত বুৰিয়াই পানীৰ ধেমালি খেলি,
সেই পৰ্ব্বতত উঠি চৰি থাকে মুকলি মনেৰে।
তাকে লৈ মহাবীৰ ভগদত্ত নৃপতিয়ে,
কুৰুক্ষেত্ৰ সমৰত অসীম প্ৰতাপে যুঁজি,
প্ৰকাশিলে শৌৰ্য্য-বীৰ্য্য জনমভূমিৰ।

শিলে কথা কোৱা এই, আচৰিত দেশৰেই,
বীৰপুত্ৰ বানাসুৰ ভীষ্মকৰ অপূৰ্ব্ব কাহিনী,
শুনিও নুশুনি যেন জানিও নজনা হৈ,
এলাহে ভাগৰে কিয় অসমৰ আগবঢ়া জাতি।
কোৱা শৰাইঘাট, শক্লাদিৰৰ কথা,
যোৰাঘাট ৰণাঙ্গনে কাৰ দিলে বিজয় বাতৰি।

নৃপতি অমিত তেজা ভাস্কৰ বৰ্ম্মন বীৰ,
পূৰ্ব্ব ভাৰতত দীপ্ত ভাস্কৰ স্বৰূপ,
বিশাল সাম্ৰাজ্য পাতি লভিলে সম্মান যেয়ে,
প্ৰধান অতিথিৰূপে শিলাদিত্য ভূপৰ সভাত।
বিচিত্ৰ আখ্যান কোৱা হুংসবেগ কটকীৰ,
চীনা পৰিব্ৰাজকৰ বিবৰণী শুনোৱা ছুনাই।

বিক্ৰমাদিত্যৰ দৰে, বত্নৰাজি সুশোভিত,
ৰাজসভা পাতি ৰজা নৰ নাৰায়নে,
"ৰৰদৈচিলা হেন চিলাৰায় দেৱানক"—
সেনাপতি পাতি বিজয়ৰ লখিমী চপালে।
স্বৰ্গদেৱ ৰুদ্ৰসিংহ, বিক্ৰমত সিংহতুল্য
আদৰ্শ নৃপতি ৰূপে বুৰঞ্জী বিখ্যাত,
এই অসমৰে তেওঁ নহয়নে শৰাইঘাট ?
অসমৰ জনতাক তুমিয়েই দিয়া সৌৰৰাই।

উষা ৰুক্মিণীৰ এই পুৰাণবিখ্যাত দেশ,
জয়মতী সাধনীয়ে কত মূলাগাভৰুৱে,
বুকুৰ শোণিত যাচি এৰি গল আদৰ্শ মহান ;
ইতিহাসে চিৰকাল দিব সৌঁৱৰাই।

বীৰৰ দেশত এই, শান্তিৰ ছাঁয়াত বহি,
শঙ্কৰ মাধৱ আৰু অপ্ৰমাদী কবিসবে,
সাহিত্যৰ ৰসে ভৰা, গঢ়ি দিলে অমৃত-সঁফুৰা।
কলীয়া ভোমোৰা আৰু মোমাই তামুলী কত,
বিচক্ষণ পুত্ৰ সবে ইয়াতেই জন্ম লাভ কৰি,
দেখুৱালে আদৰ্শেৰে সঁচাকৈয়ে অসম অসম।

কত ছবি অতীতৰ কালত বাগৰি যায়,
কামৰূপা অসমৰ উজ্জলাই গৌৰৱ কাহিনী ।

অসমৰ তীৰ্থ ক্ষেত্ৰ পবিত্ৰ শৰাইঘাট,
পৰি আছা বহুকাল জননীৰ বুকু জুৰ কৰি ।
কিজানি তোমাক দেখি অসম সন্তান সৰে,
আগবাঢ়ি যাব পাৰে গৌৰৱেৰে জীৱন-যুঁজত ।
শৰাইঘটীয়া দলে, মহাবীৰ লাচিত ফুকনে,
শৌৰ্য্য বীৰ্য্য ত্যাগৰ বলেৰে দিলে মুক্তিৰ সন্ধান ।

পৰিহৰি ভোগতৃষ্ণা মানবী জনমে দিয়া,
পৰৰ ভবিষ্য গঢ়ি প্ৰাণৰ মমতা এৰা,
শত শত যুৱকৰ কনকন কৰি থকা হাড়ে,
মাটিৰ তলৰ পৰা সকিয়নি দিব পাৰে,
আগবাঢ়ি যোৱা বুলি অসম সন্তান ।

ত্যাগৰ মহিমা ক্ষেত্ৰ, বীৰৰ সমাধি ভূমি—
লাচিতৰ কীৰ্ত্তিস্থল পবিত্ৰ শৰাইঘাট—
সেয়েহে সুধিছোঁ কোৱা প্ৰাচীন কীৰিতিৰাজী,
উঠক আকৌ জ্বলি জননীৰ পবিত্ৰ বয়ান ;
অসম অসম হলে ধন্য হব ভাৰত বৰিষ ।

———

জওহৰলাল

জওহৰলাল ! জওহৰলাল !
জন্মভূমিৰ শ্ৰেষ্ঠ সেৱক
ধন্য পুত্ৰ জওহৰলাল,
মহামানৱৰ মহান শিষ্য,
নিষ্পেষিতৰ আশাৰ থল :
মাতৃভূমিৰ মুক্তি যুঁজৰ
শক্তি প্ৰতীক হিয়াৰ বল ।

পঞ্চশীলৰ মহান সেৱক
শান্তি প্ৰদীপ ধৰিত্ৰীৰ ;
ভ্ৰান্ত ধৰাৰ ক্লান্ত জনৰ
আশাৰ বন্তি সত্য ধীৰ ।

বিশ্ব সভাৰ ৰত্ন প্ৰধান,
নতুন যুগৰ শ্ৰষ্টা ;
উদ্ধাৰি ধৰিব লাগিব জগত
পাশৱ বলত ভ্ৰষ্টা ।

হিয়াৰ মৰম চেনেহ বিলাই
দানৱ দৈত্য কৰিব জয়,
নতুন যুগৰ নৱ পৰশত
মানৱ মনৰ গুচিব ভয় ।

সুন্দৰ সুঠাম পুৰুষ সিংহ
শান্ত সুধিৰ মহান প্ৰাণ ;
মাতৃভূমিৰ গৌৰৱ ৰত্ন
বিশ্ব পিতাৰ শ্ৰেষ্ঠ দান ।

বাণীৰ আসন কণ্ঠত যাৰ,
সুস্থ নীতিত সদায় থিৰ ;
শক্তিৰে যাৰ ভক্তি সুচাই
নিৰ্ভীক সত্য যুঁজৰ বীৰ।

জয় জওহৰ ভাৰত ৰত্ন
জন্মভূমিৰ কৰ্ণাধাৰ ;
জয় জয় জয় ভাৰত মাতৃ
জওহৰ ৰত্ন কোলাত যাৰ।

যোৰহাটৰ আটলীয়া গাঁও

আধা শতিকাৰ কথা পৰিছে মনত,
যোৰহাট নগৰৰ আটলীয়া গাও,
দেখাতেই গাওখনি নদন বদন,
বিহুৰ বাতৰি আজি তাৰে কৈ যাও।

ধনে-জনে ভৰা গাও তাতে নগৰৰ,
ন পৃথিবীৰ কথা বহুখিনি জানে,
বৰ বৰ বিষয়াই বিচাৰে সদায়,
সহায় সাৰথি বুলি সকলোৱে মানে।

ম'হ যেন গৰু হালি ; 'কছাৰিৰ' গাড়ী ;
নগৰৰ বাইজৰ নহলে নহয় ;
'বৰলাই' পানী কাটি দিবই লাগিব,
বিপদৰ বন্ধু বুলি সকলোৱে কয়।

'দোমাই' মিস্ত্রীয়ে সাজে সকলোৰে ঘৰ,
মূৰত মথুৰা পাগ গাত কোট' চোলা ;
থুলন্তৰ শৰীৰেৰে শিল্পত নিপুণ,
মিলি যাব 'পৱন নন্দন' যদি বোলা।

মেটমৰা ভৰালত ধান আছে ভৰি,
নোহোৱাই বিচাৰিলে গাৱঁতেই পায়,
শস্য ভৰা বাৰী ঘৰ বৰ মানুহৰ,
অভাৱৰ কথা কেৱে কোৱা শুনা নাই।

'পানীৰামে' ধানবোৰ গাড়ীত ভৰায়,
কানিয়াই দেওবাৰে হাটলৈ যায় ;
পথাৰত খিকিন্দালি ডেকা গাভৰুৰ
জাকৈয়াই মাছ ধৰে কেৰাহিকৈ চাই।

'ভুটীয়াই' পুখুৰীত কুঢ়ী মাছ ধৰে ;
ভাবে এটি 'জোনাকীয়ে' হাকিমক দিয়ে,
পুখুৰীৰ গিৰিহঁত 'নাজিৰে' শুনিলে,
বেয়া পাব বুলি এটি তেওঁলৈকো নিয়ে।

বঙলা আগত থকা, বৰ চাহাবৰ,
ধোবাৰ পুখুৰী এটি বজাৰ দিনৰ,
বাইজে বৰশী বাই একান্ত মনেৰে,
কাষে কাষে বহা পিৰা ছটীয়া শিলৰ।

আহল বহল এই ঘাহনি পথাৰ,
জাকে জাকে গৰু আনি গাৱঁৰ লৰাই
উৰণীয়া চেঙেলীয়া মনক সামৰি,
গৰু ৰখে লগে লগে বৰশীও বায়।

ডুজনা গুৰুৰ তিথি পাৰ হৈ গ'ল,
ভাৱনা সবাহ আৰু ভালে খিনি হ'ল,
ঘৰে ঘৰে বিয়া পাতি গাওখনে খাটে,
সুখ সম্ভোগৰ মেলা মাথো ঘাটে বাটে,
ভোগালী বিহুক দিলে ভোগেৰে বিদায,
ৰঙালী বিহুৱে আজি সহাৰি জনায়।

বোকোচাত বিহু লৈ বসন্ত আহিল,
গছৰ শিৰত পাতি ফুলৰ শৰাই,
পাতৰ আৰত থাকি কুলি কেতেকীয়ে,
প্ৰৱেশিছে ঋতুৰাজ সবাকে জনায়।

এনেয়ে ৰঙেৰে ভৰা আটলীয়া গাও,
ৰঙ ৰসে বসন্তই তাতে দিলে দেখা ;
থৌকি বাথো মন ডেকা গাভৰুৰ ;
ডুগুনে উজ্বলি উঠে আনন্দৰ ৰেখা।

নাহৰে পাহৰি গৈ শীতৰ পৰশ,
ফুলেৰে বান্ধিছে দোল সৰগ থিয়াই,
কপৌ ফুলৰ বেণী মালতীৰ মালা,
তগৰে ৰগৰ কৰে ফুলতে লুকায়।

চঅৰা আঙুলী মেলি চপাই হাহিলে,
আগতীয়া কাঞ্চনৰ দেখি শেষ দশা,
নতুন পাতেৰে ভৰা শেৱালীক কলে,
শৰত আহিলে পূৰ্ণ হব তোৰ আশা'।

মুকলি পথাৰ খনি আছিল বহল,
গাৱলীয়া ৰাইজৰ সফুৰা প্ৰাণৰ
বসন্তই পাতি দিলে তাতে বিহুতলী,
উজ্বলি উঠিব য'ত জ্যোতি যৌৱনৰ।

গহীন গম্ভীৰ ভাবে চোতাল সোমাই
গৃহস্থক মঙ্গলৰ আশীষ জনাই,
হুচৰীয়ে নামে গুণে গীতৰ নাচোনে
ঢোল পেপা টকা মাৰি বজন জনায়।

এনেহেন গাওখনে নগৰ গুৱাই
কত কাল একেদৰে থাকিব সুখেৰে
যোৰহাট নগৰ জিলাৰ সদৰ হ'ল ;
ৰাইজে শুনিলে এই বাতৰি ৰঙেৰে।

'বৰলা' বুঢ়াই ক'লে মুৰ খজুৱাই—
আমাৰ গলেই দিন আৰু চিন্তা নাই,
নগৰ সদৰ হ'ল, আমি কিটো কম,
দেখা যক ডেকা বোৰে কিনো সুখ পায়।

কমলেও ক'লে কথা মুৰ জুপিয়াই—
"গাৱৰ সুখৰ দিন কেনিবাদি যাব,
কত পুৰুষৰ এই গাওখনি মোৰ,
নগৰে ৰসদ হ'লে বেগেতে গিলিব।"

বুঢ়াই বিষম পালে ডেকাই হাহিলে,
নগৰৰ ভাল বেয়া গাৱত সোমাল ;

সন্তোষীয়া বাইজৰ গাৱলীয়া মন ;
নতুন বাতৰি পাই উখল মাখল ।

সন্তোষেৰে ভৰপুৰ ৰঙৰ সম্ভূৰা
বহুকাল পাছে আজি আটলীয়া গাও ;
গহীন গম্ভীৰ সেই জীৱন জেউতি,
নাই যেন ৰিঙা ৰিঙা যেনিয়েই চাও !

ধনীৰ কাৰেং হল দুখীয়া পলাল,
মৰমেৰে ভৰা হিয়া শিল যেন হ'ল ;
নিজক চিনিছে মাথো পৰক পাহৰি ;
ক'ত পুৰুষীয়া গাও ভাগি ছিগি গ'ল ।

বৰ বৰ গছবোৰে সৰু গছ মাৰে,
ক্ষমতাৰ দন্দধাৰী ধনীলৈ চাই,
আগৰ গাৱৰ সচ থাকিলেও আজি,
মুকলি মনৰ সেই সুখ শান্তি নাই ।

ধনীৰ খোজত খোজ মিলাবৰ হ'কে
দুখীয়াই ফেৰ পাতি বেচি মাটি বাৰী
পেটৰ ভোকত লয় কাণত জোলোঙ্গা,
ধনীৰ চোতাল পায় ছমুনিয়া চাৰি ।

নামত বহাগ বিহু প্ৰাণ নাই তাত,
জাত এৰা বিহু আছে ধনীৰ ঘৰত ;
নাচ গান গীত মাত কেনিবাদি গল,
'চুণা' পিন্ধা দ'লে নাচে আগ চোতালত

পাহৰিলে বিহু নাম বিহুৰ কীৰ্ত্তন ;
মঞ্চত নুঠিলে বিহু একেবাৰে যায়
বসন্তৰ বিহু গাই গোটেই বছৰ,
'আকাশ বাণীয়ে' বিহু মোহাৰি পেলায়।

বিহুৰ বাতৰি দিয়া ঢেকীশাল বোৰ,
ধনীৰ ঘৰত আজি নিজম পৰিলে,
বিবিধ পিঠাৰ খেলা কেনিবাদি গল,
থমাদৈয়ে ভেজালত দেশকে এৰিলে।

কাড়ি পাছি পাহৰিলে গাৱৰ বুঢ়াই,
মুঠি মাৰি কড়ি লৈ চিঞৰোতা নাই,
অভাৱত স্বভাৱৰ সলনি ঘটাই,
ৰঙৰ নিজৰা আজি বইছে উজাই।

আটলীয়া গাও আজি জিলাৰ সদৰ,
ঘৰ বাৰী দেখি চকু জলমল কৰে ;
মানুহৰ দয়া মায়া সকলো ভেজাল,
কৃত্ৰিম মানুহে আজি গাও বোৰ ভৰে।

সচাকৈয়ে বিহু নাই মানুহৰ গাত ;
প্ৰকৃতিও জই পৰে থল হেৰুৱাই,
কপৌ কেতেকী ফুল মালতী তগৰ ;
ভয়ে ভয়ে যেন বিহু-বাতৰি জনায়।

ইমান বাধাতো আহি নিলাজ কুলিয়ে
গছৰ পাতত ক'লা দেহাটি লুকাই,
সুখৰ সঙ্কুৰা এই বিহুৰ বাতৰি ;
নিজকে পাহৰি যোৱা জাতিক জনায়।

———

সৈনিকৰ গীত

মৰণে আমাৰ শৰণ ললে,
মৰ আমি নকৰো ভয়,
ৰক্তবীজৰ বংশ আমি
হয়তো ধ্বংস নহয় জয়।

যুগৰ নায়ক মহান পুৰুষ
যুগৰ আত্মা মহান প্ৰাণ,
মুক্তি পূজক ভক্ত আমি
বুকুৰ ৰক্ত কৰিম দান।

মৰণ আমাৰ ধূলিৰ খেলা
মৰণ আমাৰ পূজাৰ ফুল,
উৰাও সবাৰ বিজয় নিচান
ভয় যে মাথোন মনৰ ভূল।*

---

* অসহযোগ আন্দোলনৰ স্বেচ্ছাসেৱক সমদলত গোৱা গীত।